# সৌন্দৰ্য্য

কুতুবুদ্দিন আহমদ
প্ৰথম বাৰ্ষিক (ক'লা)

*"A thing of beauty is a joy forever."*

**—Keats**

"জহকালি পুখুৰীৰ পাৰত যেতিয়া খুব মৃদু বতাহ চাতি বয়—বেলিটোৱে পশ্চিমৰ ৰঙচুৰা মেঘ এচপৰাৰ আঁৰ লয়, ঢৌ খেলি থকা পানীত তাৰ প্ৰতিবিম্বটো নাচি উঠে, সেই নাচোনৰ চেঁৱে চেঁৱে তাল ৰাখি পানীত উঠা নমা কৰা শৰালি হাঁহজোৰে মনটো বহুত দূৰলৈ লৈ যায়—। তেতিয়া এজনে হয়তো কৈ উঠিব "প্ৰকৃতিৰ সৌন্দৰ্য্য কি মনোৰম? চাই চাই আমনি নালাগে—।"

এইবিলাক আমি সদায় দেখি থকা কথা। তাত আকৌ সৌন্দৰ্য্য কি? ই কবিৰ কল্পনা। শিল্পীৰ ভাবৰ খলকনি। সি যিকি নহওঁক কেতিয়াবা ইয়েই আমাৰ মনত কিবা এটা নতুন ভাৱৰ সৃষ্টি কৰে।

পৰিদৃশ্যমান জগত খনত আমি নিতৌ বহুত ন পুৰণি বস্তু দেখিবই লাগিছো। তাৰে কিছু-মানে অজানিতে আমাৰ মনটো আকৰ্ষণ কৰে, আমি বস্তুটো ভালকৈ চাই লওঁ। আনিব পৰা বস্তু হলে তাক নিজৰ কৰি লওঁ—; যেনে এপাহ ফুল। আমি গৈ থাকোঁতে বা থাকোঁতে হঠাৎ এক মুহূৰ্ত্তৰ বাবে মনটো সেই ফুলি থকা ফুল পাহত নিবি পৰিল। মানসিক সকলো বৃত্তিয়েই সেই বাবে স্থগিত হল। কিহে আমাৰ বিৰা মনটোৰ ভাবধাৰাক ক্ষন্তেকৰ বাবে হলেও ব্যস্ততাৰ পৰা আতৰাই নি ফুল পাহৰ এক কৰিলে—? যি গুণৰ প্ৰভাৱত ফুল আমাৰ মনটোক তাৰে সৈতে এক্ কৰিলে গুণটোৱেই সৌন্দৰ্য্য।

সৌন্দৰ্য্য মনৰ অনুভূতি। যিবিলাক ভূতিয়ে মনক আনন্দ দিয়ে, যি বিলাক মনৰ সহজ সৰল ভাৱটো দাঙি ধৰে সৌন্দৰ্য্য। কোনো এজনৰ বাবে এটা ব হলেও আন এজনৰ বাবে সি কুৰূপ হব দৰ্শকৰ দৃষ্টিত এটা বস্তুৱেই নানা ৰূপ ইও এটা ভাবিবলগীয়া কথা। সৌন্দৰ্য্যই আকৰ্ষণ কৰে নে মনে সৌন্দৰ্য্যক কৰে? মানুহৰ মন কোন সময়ত কেনে

় বুজা টান। মনটো যেতিয়া প্ৰফুল্লিত স্থাত থাকে তেতিয়া সকলো বস্তুকেই সুন্দৰ া যায়।

আমি সদায় দেখি থকা, কবিৰ কল্পনা, সুত অলকাপুৰী শিল্পীৰ কোমল হাতৰ পৰশ ই গঢ়ি উঠা সৌন্দৰ্য্যৰ ৰূপ ৰাজ্যলৈ নগৈ ত্য এক চকুৰে নেদেখা সৌন্দৰ্য্যৰ বিষয়ে ালোচনা কৰি চোৱা যাওঁক।

মানুহ সৌন্দৰ্য্য পিপাসু। অকল মানুহেই হয় ইতৰ প্ৰাণীয়েও সৌন্দৰ্য্য ভাল পায়। নিশা াহৰ দেখি জুইত চগা পৰি মৰা সকলোৱে খিছে। যি সৌন্দৰ্য্যৰ বাবে প্ৰাণীয়ে াণকো তুচ্ছ জ্ঞান কৰিব পাৰে, সি কি াচৰিত বস্তু! ইয়াৰ প্ৰভাৱত মহা তপস্বী হাদেৱেও শ্ৰীকৃষ্ণৰ মোহিনী ৰূপৰ পাছে পাছে যদি লাঞ্ছনা ভোগ কৰিব লগা হৈছিল। নয়েণ্ডাৰে হিৰোৰ ৰূপৰ বাবেই হেলিস্পত াগৰত ডুবি মৰিল। অনুপম সৌন্দৰ্য্যৰ আঁধাৰ চলোত্তমাৰ কাৰণে সুন্দ-উপসুন্দৰ মৃত্যু ঘটে। নে উদাহৰণ আমি জগতৰ বুৰঞ্জীত বহুত পাওঁ।

সৌন্দৰ্য্যৰ পম খেদি গলে আমি পাওঁ অনন্তৰ অসীম ৰাজ্য। আমাৰ চকুৰ আগত াৰা যেই কোনো ধুনীয়া বস্তুই সৌন্দৰ্য্যৰ প্ৰতীক। ইয়াক ফহিয়াই গৈ থাকিলে আমি গৈ শূণ্যত পৰো — আমি আৰু ভাবিব নোৱাৰো —। তেতিয়া আমাৰ মনলৈ ভাব আহে এই শূণ্য কি? এই শূণ্যই সকলো বস্তুৰে মূল। তেন্তে আমি যি সৌন্দৰ্য্যৰ বাবে সদায় হাবাথুৰি খাব লাগিছো সি শূণ্য। বহুতে হয়তো কথাটো শুনি জাপ মাৰি উঠিব। সকলো শূণ্য — একো নাই? গণিত ভাল পোৱা সকলে উপলব্ধি কৰিব যে শূণ্যৰ মূল্য বহুত। ইফালেদি ভাবি চালে কি পাওঁ। সকলো ৰকমৰ ধুনীয়া ধুনীয়া বস্তুৰে সৈতে বাস কৰা পৃথিবীখন সূৰ্য্যৰ চাৰিওফালে গ্ৰহ বিলাকৰ সৈতে ঘূৰিব লাগিছে — এই সকলোবোৰকে লৈ সৌৰজগত। এই সৌৰজগতৰ সিপাৰে কি আছে—? আৰু কিছুমান সৌৰজগত—নক্ষত্ৰ আছে। তাৰ সিপাৰে কি আছে? আমি আৰু কব নোৱাৰো। আনকি বিজ্ঞানেও কব নোৱাৰে। তেতিয়া এই সকলোৰে মূল এজন ঈশ্বৰ বুলি ধাৰণা হয়। সেই ঈশ্বৰ কি? শূণ্য—বিৰাট শূণ্য। আমি সকলো জগতৰ বস্তুৰেই এই বিৰাট শূণ্যৰ অংশ।

যদি সৌন্দৰ্য্য এটা শূণ্য সেই শূণ্য ঈশ্বৰৰ এটা অংশ হয় তেন্তে প্ৰকাৰান্তৰে আমি সদায় ঈশ্বৰক ভাল পাওঁ। এতিয়া আমি কব পাৰো যে মানুহ সৌন্দৰ্য্য পিপাসু, গতিকে মানুহ ঈশ্বৰৰো পিপাসু। এইবিলাক কথা খুব ভালকৈ হৃদয়ঙ্গম কৰিব পৰা হেতুকেই হিন্দু ঋষি মুণিসকলে ঈশ্বৰক নিৰাকাৰ বুলি কৈছে। এই নিৰাকাৰ বস্তুটোক ভাবিবলৈ তাত কিবা এটা আকাৰ দি লব লাগিব। সেই আকাৰ দি ভাবিবলৈ ধৰাৰ পৰা ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, ত্ৰিমূৰ্ত্তিৰ কল্পনা কৰা হ'ল। এতেকে বুজা যায় যে, সেই ঈশ্বৰৰ তিনিটা পৰ্য্যায়ত ভিন্ন ভিন্ন ৰূপ আমাৰ চকুত তিৰবিৰাই উঠি—আমাৰ মন আকৰ্ষণ কৰে। তাকে আমি বহি দৃষ্টিৰে সৌন্দৰ্য্য বোলো। যি শক্তিৰ ফলত জগতৰ সকলো বস্তুৰেই উৎপত্তি আৰু লয় হয়—সেই শক্তিয়েই ঈশ্বৰ, আল্লা বা God.

বিশ্বত এনে এটা বস্তু আছে যাৰ হ্রাস বৃদ্ধি নাই—মাত্র ৰূপান্তৰ ঘটে! এই শক্তিৰ প্ৰভাৱতে চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰ সকলো বস্তুৱেই ৰীতিমতে চলি আছে। সেই শক্তিয়েই সত্য-সত্যৰ সৌন্দৰ্য্য অনুপম।

সৌন্দৰ্য্যৰ গুৰি বিচাৰি গৈ আমি অনন্ত মহাশূণ্যত পৰি পালো যে সকলো সৌন্দৰ্য্যৰ মূল এক ঈশ্বৰ। এই ঈশ্বৰ প্ৰদত্ত আমাৰ জীৱনৰ আঁৰে আঁৰে লুকাই থকা সৌন্দৰ্য্যৰ কথা চোৱা যাওঁক।

ইংৰাজ কবি W. Cowper এ কৈছে—

> "Society, friendship, and love
> Divinely bestow'd upon man."

আমি সমাজ বন্ধুত্ব আৰু ভাল পোৱা মৰম চেনেহৰ পৰা আঁতৰি জীয়াই থাকিব নোৱাৰো। ঈশ্বৰে, আমি—পৰস্পৰে যে একে ঈশ্বৰৰে অংশ তাকেই পৰোক্ষ ভাবে সম্বন্ধ ৰাখিবৰ বাবে আমাৰ জীৱনত সমাজ বন্ধুত্ব আৰু ভালপোৱাৰ বিৰাট সৌন্দৰ্য্যৰ মেলা পাতিলে—য'ত আমি আপোন পাহৰা হৈ বিচৰণ কৰি ফুৰিছো। সৌন্দৰ্য্য ৰূপী মায়াই আমাক আৱৰি প্ৰাকৃতিক নিয়মৰ বশৱৰ্ত্তী কৰি ৰাখিছে। যদি সেয়ে নহ'লহেতেন

তেন্তে সকলোৱে মুক্তি বিচাৰিলে স
হৈ পৰিলহেঁতেন। সেয়েহে বোধ
লিখকে কৈছে—। "Simply to li
mean life. Life means to li
vigour and enjoyment" মহা
মহম্মদে কৈছে "মানৱ জীৱন অসাৰ
নিমিত্তে সৃষ্টি হোৱা নাই। ম
আৰু বিৰাট সাধনাৰ নিমিত্তেহে হৈ

ক্ষমা অন্তৰৰ অন্যতম সৌন্দৰ্য্য।
মহাত্মা গান্ধী, যীশুখৃষ্ট আদি মহাপুৰু
অন্তৰৰ পৱিত্ৰ সৌন্দৰ্য্য দেখুৱাই—
চমক লগায় থৈ গৈছে।

আমি কৃত্রিম ৰংৰূপহৰ মাজেৰে
কৰিব পাৰো। কিন্তু ই স্থায়ী
বিলাক প্ৰলোভন মাত্র। প্ৰলোভন,
সুখ দায়ক—সত্য, সুপথ সদায়
গোলাপৰ পাহিত বা মৃদু গোন্ধত সৌ
যদি তাৰ সেই পাহি বা গোন্ধে মন
হৰি নিয়ে তেন্তে ইয়াক প্ৰলোভন বুলি
গোলাপৰ মৃদু গোন্ধে বা মনোমো
কিবা এটা সত্য উদ্দেশ্য আছে—সে
সৌন্দৰ্য্য। গতিকে সৌন্দৰ্য্য ভগৱান

PRAGJYOTISH COLLEGE LIBRARY
No. 2945
Date 11.5.62
GAUHATI.

# ৰহস্যবাদ

শ্ৰীৰবীন্দ্ৰ বড়া
দ্বিতীয় বাৰ্ষিক ক'লা

*"To see the world is a grain of sand*
*And a heaven is wild flower"*

অৰ্থাৎ চাব জানিলে এটি ধূলিকণাৰ মাজতো এখন জগত আৰু এটি বনফুলৰ মাজতো এখন সৰগ দেখিবলৈ পোৱা যায়। কবি ব্লেকৰ এই কথা ফাঁকিয়ে ৰহস্যবাদ। এতিয়া প্ৰশ্ন ৰহস্যবাদ কি? সমালোচক সকলে নানা ভাৱে নানা সংজ্ঞাৰ অৱতাৰণা কৰিলেও ৰহস্যবাদৰ প্ৰকৃত ব্যাখ্যা দিব পৰা নাই। পোহৰৰ সাহিত্যক যেনেকৈ ব্যাখ্যা দিয়া টান, তেনেকৈ ৰহস্যবাদৰো ব্যাখ্যা দিয়া টান। প্লেটোৱে এঠাইত কৈছে—"এই ৰহস্যবাদৰ বিষয়ে মোৰ কোনো ৰচনা নাই, আৰু ভবিষ্যতেও নহব। আন আন বিষয়ৰ নিচিনা ই প্ৰকাশৰ উপযোগী নহয়।"

মানুহে এই জগতখন বৈচিত্ৰ্যৰে ভৰপূৰ দেখে। তেওঁলোকে অনুভৱ কৰে যে জগতৰ প্ৰতিটো বস্তু প্ৰতিটো বস্তুৰ পৰা সম্পূৰ্ণ পৃথক; এই বিলাকৰ প্ৰত্যেকৰে একোটা নিজা সত্বা আছে। কিন্তু তেওঁলোকৰ দৃষ্টি সাধাৰণ। ৰহস্যবাদী সকলে আমাৰ দৰে সাধাৰণ চকুৰে এই বস্তুবোৰ নিৰীক্ষণ নকৰে। নিয়ঁৰৰ টোপাল, গছৰ পল্লৱে, বাৰিষাৰ কলা ডাৱৰৰ চপৰাই, জোণৰ কিৰণে পক্ষীৰ কণ্ঠস্বৰে তেওঁলোকক জগতৰ সিপাৰৰে অকল সন্ধান নিদিয়ে, বৈচিত্ৰ্যৰ মাজতো এ[ক] ঐক্যৰ সন্ধান দিয়ে। সকলো সত্বাৰ গুৰিত এক পৰম সত্বাৰ অস্তিত্ব উপলব্ধি কৰে আনভাৱে কবলৈ গলে জগতৰ সকলো বস্তু মূলতে আছে এক পৰম সত্বা। প্ৰতিটো বস্তু এই পৰম সত্বাৰ এক এক অংশ মাত্ৰ। এই পৰম সত্বা সৰ্ব্বব্যাপি আৰু এই সাহিত্য[ৰ] মাজেদি অসীম অনন্তৰ সন্ধেদ পাব পাৰি।

এজন ইৰাংজ সমালোচকৰ মতে ৰহস্যবাদী সাহিত্য হ'ল—"An impulse, conciousnes[s] towards the infinity, towards the eternity towards the unlimited knowledge an[d] love." অৰ্থাৎ অসীম অনন্ত অপৰিসীম প্ৰে[ম] আৰু জ্ঞানৰ প্ৰতি সচেতন অনুৰাগেই হ'[ল] ৰহস্যবাদী সাহিত্য। অনৈক্যৰ মাজত ঐক[্য] প্ৰতিষ্ঠা কৰিব পাৰিলে খণ্ডতাৰ মাজত খণ্ডত[া] উপলব্ধি কৰিবলৈ সহজ।

জগতৰ প্ৰতিটো বস্তুৱে সেই পৰমসত্বাৰ অংশই নহয়; এই অংশবোৰে মূলজনক পাবৰ বাবেও বিয়াকুল। মানৱো আন বস্তুৰ নিচিনা তেওঁৰ একোটি- অংশ। সেইবাবে মানৱো সেই পৰম সত্বাৰ পাছত লৰ ধৰে। ৰহস্যবাদী সকলে সেই পৰম সত্বাক ভগবান, পৰম পুৰুষ ইত্যাদি আখ্যাৰে বিভূষিত কৰিছে। এই ভগবানক পাব পাৰি একমাত্ৰ অনুভূতিৰ মাজেদিহে।

এতিয়া আমি ৰহস্যবাদী বুলিব লাগিব এনেজন পুৰুষক যিজনে এই বিশাল জগতৰ বৈচিত্ৰ্যৰ মাজত এক ঐক্যৰ সন্ধান পায় বা বিচাৰে। ৰহস্যবাদী সাহিত্যিকে ক্ষুদ্ৰৰ মাজত বিৰাটক, সসীমৰ মাজত অসীমক পায়। যি সাহিত্যত অসীমৰ ব্যাখ্যা নাই, চিৰসুন্দৰৰ সন্ধান নাই, সি ৰহস্যবাদী সাহিত্য হব নোৱাৰে। সেয়েহে কবিয়ে গাইছে—"যি ফালেই ঘূৰাও চকু তযু মহিমাকে দেখো।" পৃথিবীৰ সকলো বস্তুতেই চিৰসুন্দৰ বিৰাজমান অৰ্থাৎ ভগবান বা পৰম সত্বাৰ প্ৰভাৱ পৰিছে।

সৃষ্টিৰ ৰহস্য উদ্‌ঘাটন কৰা সহজ নহয়। সৰ্ব্ব সাধাৰণৰ কাৰণে অসীমৰ জ্ঞানৰ দুৱাৰ বন্ধ। ৰহস্যবাদী সকলে নিজৰ জ্ঞানৰ পৰিসৰেৰে অসীমৰ জ্ঞানৰ দুৱাৰ খুলিবলৈ যত্ন কৰে। তেওঁলোকে প্ৰতিটো বস্তুৰ মাজেদি অসীমৰ সৌন্দৰ্য্য দেখে। কবি নলিনী বালা দেৱীৰ ভাষাত-

"মানুহৰ দুচকুত অসীম সৌন্দৰ্য্য তৃষ্ণা;
সুখ, আশা হেপাহ বুকুত;
নহয় ই মৰতৰ কন্টেকীয়া জীৱনৰ
ৰূপ-তৃষ্ণা চিৰ সুন্দৰৰ।"

সাধাৰণতে আমি ৰহস্যবাদৰ পৰশ ভক্তি, প্ৰেম প্ৰকৃতিৰ ৰূপ-বৰ্ণনাত। কো জানিবলৈ অভিজ্ঞতা থাকিব লাগিব। বিষয়ে জানিবলৈ হলে আমি নিজেই হব লাগিব। সেইদৰে ভগবানক ভগবানৰ উপলব্ধি থাকিব লাগিব। অৰ্থাৎ সকলো নিৰানন্দ দূৰত ৰাখি আনন্দম হবলৈ যত্ন কৰিব লাগিব।

ৰবীন্দ্ৰ নাথ ৰহস্যবাদী কবি। মহিমা নলিনী বালা দেৱীও ৰহস্যবাদী। নলিনী দেৱীৰ 'পৰশ মণি', 'সন্ধিয়াৰ সুৰ' ইত্যাদি সম্পূৰ্ণ ধ্বনি শুনিবলৈ পোৱা যায়। তেওঁ বস্তুতে চিৰসুন্দৰৰ ৰূপ প্ৰতিফলিত হোৱা শ্যেলী আৰু ব্ৰাউনিঙৰ মতে প্ৰেম ভগবা মানৱৰ মাজৰ যোগসূত্ৰ। প্ৰেম জানিব প ভগবানকো জানিব পাৰি। এওঁলোকৰ প্লেটোৱেও ডাঙি ধৰিছিল। ডান্টে – বিয়ে প্ৰণয় কাহিনীত যদি অতীন্দ্ৰিয়বাদৰ আভাষ কিলহেঁতেন তেতিয়া হলে "ডিভাইন কমেডি" মনোগ্ৰাহী নহ'লহেঁতেন। ৰহস্যবাদী প্ৰণ লিখোতা সকলৰ মতে বিশ্ব সত্বা হ'ল আকৰ। এই প্ৰণয় কাব্য লিখি তেওঁ ভগবানৰ অৰ্থাৎ চিৰসুন্দৰৰ সোৱাদ লা কীটচে তাকেই কৈছে – "Every beautif reminds me the beauty of God." তেওঁ গাইছে – "In every object of the wo read the beauty of God." ভগবানৰ বস্তুতেই মই চিৰসুন্দৰৰ উপলব্ধি কৰোঁ। কথা ফাঁকি ঠিক যেন নলিনী দেৱীৰ ভাষা

"অতনু। তোমাৰ ৰূপৰ প্ৰভাত
তন্দ্ৰা সপোন যায় টুটি
নেদেখা ছন্দে সুৰ তৰঙ্গে
ৰূপৰেখা মোৰ উঠে ফুটি।"

প্ৰকৃতি সম্বন্ধীয় ৰহস্যবাদৰ ভিতৰত ৱৰ্ডছৰ্থৰ নাম লেখত লবলগীয়া। তেওঁ প্ৰকৃতিৰ মাজতে চিৰসুন্দৰৰ ৰূপৰ প্ৰভা দেখা পাইছে।

দাৰ্শনিক ৰহস্যবাদী সকলৰ মূলনীতি হ'ল—আমি যদি নিজকে জানিব পাৰো তেনেহলে সকলোকে জানিব পাৰিম। নলিনীবালা দেবীৰ ভাষাত –

"তীৰ্থযাত্ৰী, ক্ষন্তেক জিৰোৱা
নিজ অন্তৰত চোৱা;
ধৰাৰ ধূলিত জাগে প্ৰেমৰ সপোন।"

ট্ৰাহাৰ্নে কয় - "জগতখন হ'ল অসীম সৌন্দৰ্য্য প্ৰতিফলিত হোৱা এখন দাপোন।" কাৰ্লাইলে কয়-- 'জগতৰ সকলো বস্তুৱেই একোখনি খিৰিকি। দাৰ্শনিক চকুৱে তাৰ মাজেৰে অসীমৰ ৰূপ দেখে। নলিনীবালা দেবীও তেওঁৰ "পূজা," "সঞ্চিত" "ৰূপৰ পৰশ" ইত্যাদি কবিতাত ইয়াৰেই কথা কৈছে—

"নিশাৰ চকুলো সৰে
ডুবৰি বনত পৰে
ৰূপৰ মুকুতা জলে ধৰাৰ বুকুত,"

ইয়াত কবিয়ে ৰহস্যবাদৰ মাজত থাকি চিৰসুন্দৰৰ ৰূপ দেখি চিৰসুন্দৰৰ ৰূপকে আঁকিছে।

ৰহস্যবাদী সকলৰ বাবে নিৰ্জ্জনতাৰ মাজতো চিৰসুন্দৰৰ ৰূপ থাকে। তেওঁলোকে সেই নিতান্ত নিস্তব্ধতাৰ মাজত চিৰসুন্দৰৰ ৰূপ আঁকি যায়। ৰবীন্দ্ৰ নাথে সেইবাবে গাইছে—

"বিশ্ব যখন নিদ্ৰা মগন-
গগন অন্ধকাৰ
কে দেয় আমাৰ বীণাৰ তাৰে
এমন ঝংকাৰ।" --গীতাঞ্জলি।

ভগবান বা পৰম সত্তা প্ৰতিটোৰ মাজতেই আছে। ৰহস্যবাদী সকলে ভগবানক বা চিৰসুন্দৰক বিচাৰি বিচাৰি ভাগৰি পৰি, শেষত নিজ অন্তৰত চাবলৈ বোধিৰ পৰশ পায়।

"সুখে দুখে জীৱনৰ হৰিষে বিষাদে
বিচ্ছেদৰ চকুলোৰ
মিলনৰ সুখ-সংবাদত
লোৱা তুমি প্ৰিয়ৰ প্ৰসাদ।"

ৰহস্যবাদী সকলে চিৰসুন্দৰৰ আৰাধনা কৰি সসীমৰ মাজত অসীমক পাবলৈ চেষ্টা কৰে।

"আকাশৰ নীলিমাত
পোহৰৰ ঢৌ খেলে
দুচকু উপচি পৰে ৰূপৰ জোঁৱাৰ।
দিগন্তৰ অসীমতা
হিয়াত হেৰাই যায়
পৰাণে বিচাৰি ফুৰে অসীমৰ পাৰ।"

আকৌ ৰবীন্দ্ৰ নাথে গাইছে—

"সীমাৰ মাঝে অসীম তুমি
বাজাও আপোন সুৰ
আমাৰ মধ্যে তোমাৰ প্ৰকাশ
তাই এত মধুৰ।" —গীতাঞ্জলি।

ৰহস্যবাদী সাহিত্যত জগতৰ সকলো বস্তুৱেই ধুনীয়া আৰু প্ৰত্যেকটোৰে মূল্য আছে। কিন্তু সৰ্ব্বসাধাৰণে এই বিলাক অনুভৱ কৰিব নোৱাৰে। ৰহস্যবাদীসকলে এই বিলাক পৃথক চকুৰে চাই তাৰ মূল্য দিয়ে। এই বিলাকক লৈ তেওঁলোকে পৰমসত্তাৰ সৈতে মিলি যাব বিচাৰে।

# জাতীয় আন্দোলনত নাৰী

মৌৰ ইস্লাম
তৃতীয় বাৰ্ষিক, কলা

আজি ভাৰতবৰ্ষ মুক্ত। ভাৰতবৰ্ষৰ এই স্বাধীনতা নানা প্ৰকাৰৰ দুখ নিৰ্য্যাতন সহ্য কৰি অহা এটি আপুৰুগীয়া সম্পদ। আজি ভাৰতৰ জাতি-ধৰ্ম্ম-নিৰ্ব্বিশেষে প্ৰায় ১৭ কোটি প্ৰাপ্ত বয়স্ক পুৰুষ আৰু মহিলাই ৰাষ্ট্ৰ নিয়ন্ত্ৰণৰ অধিকাৰ লাভ কৰিছে। স্বাধীনতা পুৰুষ আৰু নাৰী উভয়ৰে উমৈহতীয়া বস্তু আৰু তাৰেই অধিকাৰত কম বেছি পৰিমাণে নাৰীসকলেও আগবাঢ়ি আহি স্বাধীনতা সংগ্ৰামত যোগদান কৰিছিল। নাৰীয়ে সংগ্ৰামত কোন অংশ গ্ৰহণ কৰিব পাৰে সেই সম্পৰ্কে তুৰস্কৰ অমৰ বীৰ গাজী আনোৱাৰ পাচাই বোখৰাৰ যুদ্ধক্ষেত্ৰৰ পৰা চাহাজাদী নাজিয়ালৈ লিখিছিল—

"তোমালোক তিৰোতা। তৰোৱালৰ যুদ্ধ তোমালোকৰ ফৰজ (কৰ্ত্তব্য) নহয় কিন্তু তোমালোকৰ কোমল হিয়াৰ বিচ্ছেদ যাতনাই যি দৰে পীড়িত কৰিব সেয়েই তোমালোকৰ যুদ্ধ। তোমাৰ যুদ্ধ মানসিক আৰু মোৰ যুদ্ধ শাৰীৰিক। তুমিও কেতিয়াও খোদাৰ ওচৰত প্ৰাৰ্থনা কৰি কলুষিত নহবা যাতে তোমাৰ স্বামীয়ে এই যুদ্ধৰ ৰক্তময়ী সাগৰৰ পৰা তোমাৰ প্ৰেমত আকৃষ্ট হৈ তোমাৰ বুকলৈ ঘূৰি আহক। ৰাণী, তোমাৰ এই কামন হোৱা উচিত যে মই বিজয়ৰ উল্লাস ধ্বনি মাজত তোমাৰ বুকলৈ ঘূৰি আহো নহ শেহিদি মৃত্যুৰ পিয়লা মোৰ এই তৃষ্ণাতুৰ ওঁঠ স্পৰ্শিত হওক।

তোমাৰ শুভাকাঙ্খী
"আনোৱাৰ"

কিন্তু ভাৰতীয় নাৰীয়ে স্বাধীনতা সংগ্ৰাম পুৰুষৰ অন্তৰত প্ৰেৰণাৰ সঞ্চাৰ কৰাৰ উপৰি নাৰীৰ ৰক্তদান ভাৰত বুৰঞ্জীৰ যুগে যু জিলিকি থকা পুৰণি কথা।

ৰোমানসকলৰ কাৰ্থেজ আক্ৰমণত স্বাধীন প্ৰিয় কাৰ্থেজ নাৰীয়ে ধনুৰ দোল খোৱাব চুলি কাটি দিয়াৰ দৰে ভাৰতীয় নাৰীসকলে মামুদৰ আক্ৰমণত (১০০৮) খৃঃ অলঙ্কাৰ দি যুদ্ধৰ খৰচ যোগাই শেষত যুদ্ধ ক্ষেত্ৰতেই মৃত্যু বৰণ কৰিবলৈ কুণ্ঠিত নহৈছিল। ইয়াৰ উপৰি যুগৰ বুৰঞ্জীত স্বাধীনতা প্ৰিয় চাঁদচুলতান ৰাণী দুৰ্গাৱতী, সংযুক্তা, অমৰ জীয়াৰী মুলা গা আদিৰ বীৰত্ব, সাহস, স্বাধীনতা লিপ্সা সোণা আখৰেৰে লিখা আছে।

বৃটিছ যুগৰ প্ৰথম ছোৱাত নাৰী সমাজে বিশেষ একো কৰা নাই বুলিয়ে কব পাৰি। অৱশ্যে ১৮৫৭ খৃঃত বৃটিছ শাসনৰ বিৰুদ্ধে যি ১ম বিপ্লৱৰ অভ্যুদয় হয়, তাত নাৰীসকলে সহযোগিতা কৰাৰ প্ৰমাণ স্বৰূপে ঝাঞ্চী ৰাণী লক্ষ্মীবাঈৰ নাম চিৰ প্ৰজ্বলিত।

মুঠৰ ওপৰত ভাৰতৰ স্বাধীনতা সংগ্ৰামত নাৰীৰ বৰঙণি পুৰুষ অপেক্ষা কোনো গুণেই ন্যুন নহয়।

বৃটিছ যুগত ৰাজা ৰামমোহন ৰায়ৰ চেষ্টাত প্ৰথমতে বঙ্গদেশত আৰু শেষত ভাৰতৰ বিভিন্ন প্ৰদেশত ব্যাপক ভাৱে নাৰীমুক্তি আন্দোলন গঢ়ি উঠে। এই আন্দোলনৰ ফলত ক্ৰমশঃ নাৰী সমাজত আত্মচেতনা জাগিবলৈ আৰম্ভ কৰিলে। ১৮৮২ চনত বোম্বাইৰ পুণা চহৰত মহাদেৱ গোবিন্দ ৰানাডেৰ পত্নী ৰামবাঈ ৰানাডে, শ্ৰীমতী তাৰখুদ, শ্ৰীমতী ৰাৰুবাঈ লিমে প্ৰভৃতি মহিলা-সকলে "আৰ্য্য মহিলা সমিতি" নামেৰে এটি প্ৰতিষ্ঠান প্ৰতিস্থা কৰি নাৰী কল্যাণ কাৰ্য্যত ব্ৰতী হয়। ইয়াৰ বাহিৰেও বঙ্গ মহিলা সমাজ, নেশ্যনেল ইণ্ডিয়ান এছোচিয়েশ্যন" আদিয়ে নাৰী কল্যাণ কাৰ্য্যত ব্ৰতী হৈছিল।

নাৰীসকলৰ আত্মচেতনা জাগি উঠিল। ১৮৮৯ খৃঃৰ বোম্বাই কংগ্ৰেছত (৫ম অধিবেশন) সুপ্ৰসিদ্ধ লেখিকা স্বৰ্ণকুমাৰী দেৱী, ৰামবাঈ ৰানাডেকে আদি কৰি ৬ গৰাকী মহিলা প্ৰতি-নিধিয়ে যোগ দিছিল। ১৮৯০ খৃঃত কংগ্ৰেছ মহাসভাৰ কলিকতা অধিবেশনত (৬ষ্ঠ অধিবেশন) নাৰীসকলে প্ৰস্তাৱ উত্থাপন আৰু আলোচনাৰ অধিকাৰ লাভ কৰিলে।

এই সময়তেই নাৰী কল্যাণ প্ৰতিষ্ঠান সমূহে নাৰী সমাজক আত্ম সচেতন কৰি তুলিবৰ উদ্দেশ্যে ব্যাপক অভিযান আৰম্ভ কৰে আৰু লগে লগেই নাৰী জাগৰণৰ ইতিহাসত এটি নতুন পৃষ্ঠাৰ সৃষ্টি হ'ল। অসংখ্য নাৰীয়ে সমাজ ৰাষ্ট্ৰ আৰু সাহিত্য সেৱাত ব্ৰতী হ'ল। তেওঁ-লোকৰ ভিতৰত স্বৰ্ণকুমাৰী, সৰোজিনী নাইডু, মৃণালিনী, উৰ্ম্মিলাদেৱী, হিৰন্ময়ী, সৰলা, তৰু দত্ত, পণ্ডিতা ৰামবাঈ ইত্যাদিৰ নাম উল্লেখযোগ্য।

১৯১৪ চনত শ্ৰীমতী এনি বেচাণ্টে ৰাজনীতিত যোগদান কৰি মাদ্ৰাজত "Home Rule League" নামৰ এটি অনুস্থানৰ যোগেদি স্বাধীনতা আন্দোলন আৰম্ভ কৰিলে। শেষত এই অপৰাধতে তেখেতে নিৰ্ব্বাসিতো হৈছিল। ১৯১৭ চনত এই বিদুষী ইউৰূপীয় মহিলা গৰাকীক কংগ্ৰেছৰ সভানেত্ৰী পদেৰে সন্মানিত কৰা হৈছিল।

১৯১৮ চনত কংগ্ৰেছে দাবী জনায়—যি বিলাক কাৰণ বশতঃ পুৰুষৰ ভোটাধিকাৰ জন্মে যদি সেই কাৰণ বিলাক নাৰী ক্ষেত্ৰতো বৰ্ত্তমান থাকে তেন্তে অকল নাৰী বুলিয়েই ভোটাধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰে, আৰু মহিলাসকলকো শাসন নিয়ন্ত্ৰণত সম অধিকাৰ প্ৰদান কৰিব লাগিব।

১৯১৯ চনত অমৃতসৰ কংগ্ৰেছত সভাপতি মতিলাল নেহৰুৱে অভিভাষণত কয়—"আমি এনে এখন ভাৰত গঠনৰ প্ৰতি লক্ষ্য ৰাখিম যত নাৰীসকলৰ শিকলি চিন্ন কৰা হব, জাতি প্ৰথা সম্পূৰ্ণ দুৰীভুত হব, যত কোনো বিশেষ শ্ৰেণী বা সম্প্ৰদায়ক কোনো বিশেষ সুবিধা

প্ৰদান কৰা নহব, যত শিক্ষা লাভত কোনো বাধা নেথাকিব।”

১৯১৯ চনৰ ৩০ মাৰ্চ্চ তাৰিখে ৰাউলট আইনৰ প্ৰতিবাদ কল্পে গান্ধীজীয়ে সমগ্ৰ জাতিক আহ্বান জনালে। গান্ধীজীৰ এই আহ্বানত সমগ্ৰ জাতি একত্ৰিত হল। পুলিছে কেইবা ঠাইটো গুলি চলালে। ১৩ এপ্ৰিল তাৰিখে পঞ্জাৱৰ জালিয়ানাৱালাবাগত সমবেত ১০ হেজাৰ নিৰস্ত্ৰ হিন্দু, মুছলমান, শিখ নৰ-নাৰীৰ ওপৰত জেনেৰেল ডায়াৰৰ নেতৃত্বত সাম্ৰাজ্যবাদৰ গুলি চলিল। শত শত নৰ নাৰীৰ তেজেৰে জননী ৰঞ্জিত হৈ স্বাধীনতা আন্দোলনত এক নতুন প্ৰেৰণাৰ সৃষ্টি কৰিলে।

১৯২০ চনত অসহযোগ আন্দোলন আৰম্ভ হল। এই আন্দোলনত অসংখ্য নাৰীয়ে প্ৰত্যক্ষ অংশ গ্ৰহণ কৰি শক্তিশালী কৰি গঢ়ি তুলিলে। তেওঁলোকৰ বহুতেই বৃটিছ চৰকাৰৰ পাশবিক অত্যাচাৰ, কাৰাবৰণ সহ্য কৰিও স্বাধীনতাৰ দাবী অক্ষুন্ন ৰাখিছিল। এইখিনিতেই বঙ্গদেশৰ চিত্তৰঞ্জনৰ পত্নী বাসন্তী দেৱী, ভনীয়েক উৰ্ম্মিলা দেৱী আৰু সুনীতি দেৱীৰ নাম উল্লেখযোগ্য। এই সময়তেই কস্তুৰবাঈ গান্ধী স্বৰূপৰাণী নেহৰু, ৰাজকুমাৰী অমৃত কাউৰ, সৰোজিনী নাইডু, কমলা দেৱী চট্টোপাধ্যায় প্ৰভৃতি বিশিষ্ট মহিলাসকলৰ কঠোৰ চেষ্টাত ভাৰতীয় নাৰী সমাজত বিপুল উৎসাহৰ সৃষ্টি হৈছিল। ১৯২৫ চনত সৰোজিনী নাইডুৰ সভানেত্ৰীত্বত কাণপুৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশন বহিছিল।

১৯২৫ চনৰ ২১ ডিচেম্বৰ তাৰিখে জৱহৰলাল নেহৰুৰ নেতৃত্বত কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ দাবী উত্থাপন কৰিলে; কিন্তু ১৯৩০ চনৰ ২৫ জা তাৰিখে গৱৰ্ণৰ জেনেৰেল লৰ্ড আৰউইনৰ হতাশবাণী পাই তাৰ প্ৰত্যুত্তৰ স্বৰূপে পা ২৬ জানুৱাৰী তাৰিখে সমগ্ৰ দেশে পতাকাৰ তলত স্বাধীনতাৰ সংকল্প গ্ৰহণ ক শেষত ১৪-১৫ ফ্ৰেঃ তাৰিখে সৱৰমতী কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে পূৰ্ণ স্বৰাজৰ বাবে অমান্য আন্দোলন চলাবৰ সিদ্ধান্ত গনক আহ্বান জনালে। আশ্ৰমবাসী না এই আন্দোলনৰ অংশ ভাগি হবৰ আবেদন জনালে। গান্ধীজীয়ে কলে—

“অহিংসা সংগ্ৰামত পুৰুষ অপেক্ষা দানেই অধিক হোৱা উচিত কাৰণ বিদেশী আৰু মদ ব্যৱসায়ী আৰু মদ অভ্যস্ত অন্তৰ গলাবৰ কাৰণে নাৰীৰ আবেদন নিবেদ বেছি ফলপ্ৰদ। নাৰীসকলে হিংসা মূলক কৰাত কোনো সংশয় নাই। তেওঁ শান্তিপ্ৰিয়”।

গান্ধীজীৰ আহ্বানত শত শত নাৰীয়ে সংগ্ৰামত জপিয়াই পৰিল। অতি কম ভিতৰতে ভাৰতৰ বিভিন্ন ঠাইত নাৰী গ্ৰহী সমিতি প্ৰতিস্থা কৰি বিদেশী বস্ত্ৰ মাদক দ্ৰব্য বৰ্জ্জন, লৱণ সত্যাগ্ৰহ আদিত অংশ গ্ৰহণ কৰিলে। কলিকতাত এই সত্যাগ্ৰহী সকলৰ কৰ্ম্ম প্ৰচেষ্টাত প্ৰথম ৯ বিলাতী বস্তুৰ আমদানী ৬০% হ্ৰাস হৈছিল

১৯৩০ চনৰ ২২ মাৰ্চ্চ তাৰিখে গান্ধী তেখেতৰ বিখ্যাত অভিযান আৰম্ভ কৰি কৈছি “যব হাম যাত্ৰা সুৰু কৰেঙ্গে তব তামাম হিন্দ উথল যায়েগা”। বাস্তবিকতে গান্ধীজীৰ

জালিয়ানত গোটেই হিন্দুস্থান জাগি উঠিল। মেই তাৰিখে গান্ধীজীক গ্ৰেপ্তাৰ কৰাৰ লগে গেই শ শ কৰ্ম্মী আৰু নেতা সকলেৰে কাৰা-াৰ ভৰি পৰিল, তাৰ উপৰি পুলিছৰ গুলি আৰু বেয়নেটৰ আঘাতত বহুত কৰ্ম্মীৰ ৰক্তেৰে জননী ঞ্জিত হল। এই যুবক সকলৰ অবিহনত াধীনতা প্ৰিয় নাৰীসকলে দুগুণ উদ্যম আৰু হসেৰে অহিংসা সংগ্ৰামত ব্ৰতী হল।

সীমান্ত প্ৰদেশত সীমান্ত গান্ধী খান আব্দুল ফৰ খানৰ নেতৃত্বত অসংখ্য নাৰীয়েও এই ধীনতা যুজলৈ আগবাঢ়ি আহিল। তাৰ ফল-ৰূপে পৰ্দ্দা প্ৰথাৰ শিথিলতা কিছু কমি গল।

নাৰী সত্যাগ্ৰহীসকলৰ ভিতৰত সৰলা দেৱী, মতী জৈন, নিৰ্ঝৰিণী চৰকাৰ, কামিনী বসু, তিভা সেন, নেলী সেনগুপ্তা, সৰোজিনী নাইডু স্তুৰবাই গান্ধী, সৰজু গুপ্তা, লীলা ৰায় আদিৰ ম উল্লেখযোগ্য।

প্ৰথমতে নাৰী সত্যাগ্ৰহীসকলৰ কাৰ্য্যত লিছে কোনো বাধা প্ৰদান কৰা নাছিল কিন্তু যত অতি কঠোৰতম পন্থা অৱলম্বন কৰিছিল, ক্ষেত্ৰত ইন্দুমতী জৈনেই প্ৰথম কাৰাদণ্ড ন কৰিছিল।

১৯৩১ চনত ভাৰতীয় নাৰী কাননৰ বুলবুল কী সৰোজনী নাইডুৱে বিলাতৰ ঘূৰণীয়া মেজৰ লত যোগদান দিছিল।

১৯৩২ চনত অসম ৰমণী ৰাণী গুইদালোৱে ৰী স্বাধীনতাৰ পতাকা উত্তোলন কৰি বৃটিছ ৰাজৰ ৰুদ্ধে এক বিৰাট আন্দোলন আৰম্ভ কৰিলে াক শেষত এই দোষতে কাৰা দণ্ডিত হোৱাৰ বছৰৰ পাচত ১৯৩৮ চনত কংগ্ৰেছৰ হৰিপুৰা অধিবেশনত তেওঁৰ মুক্তি দাবী কৰি প্ৰস্তাৱ গ্ৰহণ কৰে।

১৯৩৩ চনত শ্ৰীমতী নেলী সেনগুপ্তাৰ সভা-নেত্ৰীত্বত কলিকতাত কংগ্ৰেছ অধিবেশন অনুষ্ঠিত হৈছিল।

১৯৩৫-৩৬ চনত ভাৰতৰ বিভিন্ন দেশীয় ৰাজ্যত প্ৰচলিত শাসন ব্যৱস্থাৰ বিৰুদ্ধে প্ৰজাবিলাকে ব্যাপক সংগ্ৰাম আৰম্ভ কৰিলে। যি সকল নাৰীয়ে এই আন্দোলনত সক্ৰিয় অংশ গ্ৰহন কৰি কাৰা দণ্ডেৰে দণ্ডিত হৈছিল সেই সকলৰ ভিতৰত উত্তৰ প্ৰদেশৰ বিজয় লক্ষী পণ্ডিত, হায়দৰাবাদৰ শ্ৰীমতী জ্ঞান কুমাৰী হোণ্ডা, শ্ৰীমতী পদ্মজা নাইড়ু, ত্ৰিবাঙ্কুৰৰ কমলা দেৱী, উৰিষ্যাৰ শ্ৰীমতী মালতী চৌধুৰী, ৰমা দেৱী আৰু মহিশুৰৰ শ্ৰীমতী কে, এছ, পাতিলৰ নাম উল্লেখ যোগ্য।

১৯৩৯ চনত পৃথিৱীৰ বুকুত ২য় মহাসমৰৰ দাবানল জ্বলি উঠিল। বৃটিছ সকলে নানা প্ৰলোভন দেখুৱাই ভাৰতৰ দুখীয়া জনগণৰ পৰা অৰ্থ সংগ্ৰহ কৰিবলৈ ধৰিলে আৰু যি সকলে এই অৰ্থ শোষণ নীতিৰ প্ৰতিবাদ কল্লে থিয় হৈছিল—তেওঁলোকে সহিব লাগিছিল সৈন্যবাহিনীৰ অত্যাচাৰ, উৎপীড়ন নতুবা কাৰাদণ্ড। এই ক্ষেত্ৰত অসমীয়ায়ো ভাৰতৰ অন্যান্য কোনো অঞ্চলতকৈ পাচ পৰা নাছিল। ১৯৪১ চনৰ ৬ ডিচেম্বৰৰ গুৱাহাটীৰ ছাত্ৰ আন্দোলন ভাৰতীয় ছাত্ৰ সমাজৰ বিভিন্ন আন্দোলনৰ ভিতৰত সৰ্ব্ববৃহৎ ভাৱে পৰিগণিত। এই আন্দোলনতো ছাত্ৰ সকলৰ লগত ছাত্ৰীসকলৰ সহযোগীতাই এক নতুন শক্তিৰ সঞ্চাৰ কৰিছিল। ছাত্ৰীসকলৰ নেত্ৰীত্ব গ্ৰহণ কৰিছিল আম্বাদেৱী, ভাৰতী সান্যাল আৰু নীলিমা বৰুৱাই। অৱশেষত এই ছাত্ৰ-ছাত্ৰী

সফলৰ শান্তিপূৰ্ণ শোভাযাত্ৰাও ডেপুটী কমিচনাৰ মিঃ হামফ্ৰেৰ কোপদৃষ্টিৰ পৰা অব্যাহতি নাপালে। ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলিল পুলিছ বাহিনীৰ পাশবিক অত্যাচাৰ, লাঠিৰ আঘাতত বাগৰি পৰিল ছাত্ৰ-ছাত্ৰীসকল। নীলিমা বৰুৱা, নিৰ্ম্মলা দাস আদিৰ সাংঘাটিক আঘাত হল।

বৃটিছ ৰাজৰ এই পাশবিক অত্যাচাৰত জনতা উত্তেজিত হৈ উঠিল, গোটেই অসম জুৰি ধৰ্ম্মঘট, শোভাযাত্ৰা আৰম্ভ হ'ল।

১৯৪২ চনৰ গণ সংগ্ৰামত ভাৰতীয় নাৰী জাতিও নিস্তেজ হৈ বহি থকা নাছিল। বঙ্গ, বিহাৰ, যুক্তপ্ৰদেশ, উৰিষ্যা, মাদ্ৰাজ, বোম্বে, পঞ্জাৱ, অসম আদি বিভিন্ন ঠাইৰ শিক্ষিত অশিক্ষিত আদি জাতি-ধৰ্ম্ম-নিৰ্ব্বিশেষে নাৰীসকলে গান্ধীজীৰ "কৰেঙ্গে ইয়া মৰেঙ্গে" মন্ত্ৰত দীক্ষিত হৈ এই গণ-বিপ্লৱত যোগদান কৰিছিল। যুদ্ধ সজ্জিত বিৰাট সৈন্য বাহিনীয়ে ভাৰতীয় নিৰস্ত্ৰ নৰ-নাৰীৰ ওপৰত হৃদয় বিদাৰক পাশবিক অত্যাচাৰ আৰম্ভ কৰিলে। বন্দুক, বেয়নেট, কামান, বোমা আদি মাৰাত্মক ধ্বংসকাৰী অস্ত্ৰ-সস্ত্ৰ ব্যৱহাৰ হ'ল। গাওঁৰ পাচত গাওঁ উজাৰ হ'ল। জেলখানা লাখ লাখ স্বাধীনতা প্ৰিয় নৰ নাৰীৰ পৱিত্ৰ তীৰ্থ ক্ষেত্ৰত পৰিণত হ'ল। পুৰুষ ভিন্ন অসংখ্য নাৰীৰ ৰক্তেৰেও জননী ৰঞ্জিত হ'ল। সৰোজিনী নাইডু, ৰাজকুমাৰী অমৃত কাউৰ, বিজয়লক্ষ্মী পণ্ডিত, কস্তুৰবাঈ গান্ধী, অৰুণা আচফ আলী, অনুসুৱা বাঈ আদি বহুত বিদুষী মহিলা ৰাজ-দণ্ডেৰে দণ্ডিত হ'ল। বঙ্গদেশৰ মেদিনীপুৰ থানা অন্তৰ্গত সমবেত জনতাৰ নেত্ৰী মাতঙ্গিনী হাজৰা আৰু অসমৰ কণকলতাই জাতীয় পতাকাৰ মান ৰক্ষাৰ অৰ্থে পুলিছৰ গুলিত প্ৰাণ ত্যাগ কৰিলে কণকলতা আৰু হাজৰাৰ অবৰ্ণনীয় আত্ম-বলিদা ভাৰতৰ জাতীয় পতাকাৰ মৰ্য্যদা অক্ষুন্ন ৰাখিলে

এই সময়তে ভাৰতৰ বাহিৰৰ মালয়, বঙ্গদে শ্যাম, জাপান আদিৰ অসংখ্য প্ৰৱাসী ভাৰতী জনগণৰ সহযোগিতাত সুভাষ চন্দ্ৰ বসুৰ নেতৃত্ব আজাদ হিন্দ ফৌজ আৰু চৰকাৰ প্ৰতিষ্ঠা হৈছিল ভাৰতীয় জনগণক পৰাধীনতাৰ গ্লানিৰ পৰা মু কৰাই এই ফৌজ বা চৰকাৰৰ উদ্দেশ্য আছিল প্ৰবাসী নাৰীসকলেও স্বাধীনতাৰ এই সংগ্ৰাম নিস্তেজ হৈ বহি নাথাকিল, তেওঁলোকে লক্ষ্মী স্বামী নাথন নামৰ এগৰাকী মহিলা ডাক্তৰ নেত্ৰীত্বত ঝান্সী ৰাণী বাহিনী নামলৈ আগব আহিল। এই ঝান্সী ৰাণী বাহিনীত ১২০০ দে প্ৰেমিকাই যোগদান দিছিল। এওঁলোক প্ৰথ অৱস্থাত সেৱা শুশ্ৰূষা কৰাত ব্ৰতী থাকিলে শেষত যুদ্ধৰ দাবানলত জপিয়াই পৰিল—বন্দু বাৰুদ, অস্ত্ৰ-সস্ত্ৰ আদিৰে সজ্জিত হৈ। এনেকৈ ভাৰতৰ জাতীয় আন্দোলনত নাৰীসকলে তেও লোকৰ সাধ্যানুসাৰে বৰঙণি যোগাইছে। ১৯ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লা কৰিলে। গতিকে স্বাধীনতা যুঁজত নাৰী সমাজ বৰঙণিও এটি বিৰাট অৱদান।

---

# শিল্পোদ্যোগত অসম

*অধ্যাপক ভবানন্দ ডেকা*

ভাৰতবৰ্ষৰ পূব প্ৰান্তত অৱস্থিত অসম দেশখন অৱহেলিত আৰু কেন্দ্ৰীয় চৰকাৰৰ শুভদৃষ্টি [illegible] দেশ। দেশ স্বাধীন হোৱাৰ পিছত অসমে [illegible] প্ৰদেশ বিলাকৰ দৰে বহুমুখী উন্নতিৰ [illegible]ত আগবাঢ়ি যাব পৰা নাই। প্ৰথম পৰি-[illegible]ৰ কালছোৱাত অসমে আৱশ্যকীয় সহায়-[illegible]নুভূতি নাপালে। দেশৰ সন্মুখত দেখা দিয়া [illegible]ৰি সমস্যাবোৰৰ সমাধান নহ'ল। অসম আজিও [illegible]প্ৰপীড়িত অঞ্চল বুলি জনাজাত। দেশ বিভা-[illegible] পিছত দেখা দিয়া শত শত সমস্যাৰ [illegible]জিও সমাধান হোৱা নাই। অসমৰ মাটিকালি [illegible] ৫০,০৪৩ বৰ্গমাইল আৰু জনসংখ্যা ৯০, [illegible]৭০৭। শতকৰা প্ৰায় ৭৩.৪ জন মানুহেই [illegible]তিয়ক। গতিকে অসমক এখন কৃষি প্ৰধান [illegible]শ বুলি কব পৰা যায়। শিল্পোন্নয়ণত অসম [illegible]তিয়াও বহু পিছ পৰি আছে। অসম প্ৰাকৃতিক [illegible]পদেৰে ভৰপূৰ। অসমৰ হাবিত নানা তৰহৰ [illegible]চামাল (raw materials) প্ৰচুৰ পৰিমাণে পোৱা [illegible]য়। কিন্তু এই সম্পদবোৰ উদ্‌ঘাটন কৰি দেশ [illegible]মৃদ্ধিশালী কৰাত আজিও ব্যৱহাৰ কৰিব পৰা [illegible]ই।

ভাৰতৰ প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য আছিল দেশৰ খাদ্য সম্ভাৰ বৃদ্ধি কৰা আৰু শিল্পানুস্থানবোৰক কেঁচামালৰ যোগান ধৰা। সেয়েহে প্ৰথম পৰিকল্পনাৰ কালছোৱাত খেতিৰ ওপৰত বেছি জোৰ দিয়া হৈছিল। প্ৰথম পৰিকল্পনাত অসমে ১৭½ কোটি টকা ভাগত পায়। এই ভাগটো শেষত ২০,৮০,০০০ টকালৈ বঢ়োৱা হৈছিল। এই টকাৰ ২৫ লাখ কুটীৰ শিল্প উন্নয়ণৰ কাৰণে ৰখা হৈছিল। প্ৰথম পৰিকল্পনাৰ কাল ছোৱাত অসমত কোনো বৃহৎ শিল্পানুস্থান গঢ়াৰ আঁচনি লোৱা হোৱা নাছিল।

অসমক এখন সমৃদ্ধিশালী দেশ হিচাবে তৈয়াৰ কৰাৰ অত্যন্ত দৰ্কাৰ হৈ পৰিছে। দেশৰ জনসাধাৰণৰ আৰ্থিক মানদণ্ড নিৰ্ভৰ কৰে দেশৰ শিল্পবোৰত। এই বিষয়ে আমাৰ চৰকাৰ কিছু পৰিমাণে সজাগ হোৱা দেখা গৈছে। অসমত আছে প্ৰচুৰ কেঁচামাল—যাক উদ্‌ঘাটন কৰি শিল্প গঢ়ি তুলিব পাৰি; অসমত নদী-নলা প্ৰচুৰ আছে—যাৰ পৰা বিজুলী শক্তি উৎপাদন কৰিব পাৰি। কিন্তু ইয়াতে এটা কথা আহি পৰে। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ বিনানুমতিত

কোনো বৃহৎ শিল্পানুস্থান গঢ়িব নোৱাৰে। শিল্পোন্নয়ণ আৰু নিয়ন্ত্ৰণ আইনমতে বৃহৎ শিল্পানুস্থান গঢ়াত কেন্দ্ৰীয় চৰকাৰৰহে দায়িত্ব বেছি। সেয়েহে আমাৰ অসম চৰকাৰে ক্ষুদ্ৰ শিল্প, কুটীৰ শিল্প আদিতেই সীমাবদ্ধ থাকিব লগাত পৰিছে।

অসমৰ অৰ্থনীতি ক্ষেত্ৰত কুটীৰ শিল্প আৰু ক্ষুদ্ৰ শিল্পানুস্থানবোৰৰ স্থান আগশাৰীত। ইয়াৰ কাৰণ এয়ে যে—দেশ বিভাজনৰ পিছত পূব পাকিস্থানৰ পৰা অহা অসংখ্য ভগনীয়াৰ হেঁচাত দেশৰ অৰ্থনীতি ক্ষেত্ৰত এটি বিৰাট সমস্যাই দেখা দিছে। এই সমস্যাৰ সমাধান কৰিব খুজিলে আমি কুটীৰ শিল্প, ঘৰুৱা শিল্প আৰু ক্ষুদ্ৰ শিল্পানুস্থানত বেছি গুৰুত্ব আৰোপ কৰিব লাগিব।

দ্বিতীয় পৰিকল্পনাৰ কালছোৱাত অসমত মুঠ ৪.১৩০০ কোটি টকা কুটীৰ উদ্যোগ আৰু বৃহৎ উদ্যোগ আদি গঢ়ি তোলাত খৰছ কৰা হব। এই টকা খিনিৰ ঘৰুৱা আৰু ক্ষুদ্ৰ শিল্পানুস্থানত ১৯০.০০ লাখ টকা; ৰেচম আৰু বোৱাকটা শিল্পত ১৪২ লাখ টকা, খাদী আৰু গাৱঁলীয়া শিল্পত ৪৭.৫০ লাখ টকা খৰচ কৰা হব। কেন্দ্ৰীয় পৰিকল্পনা আয়োগে মজলীয়া আৰু বৃহৎ শিল্পানুস্থান গঢ়াৰ কাৰণে ১৩৩.০০ লাখ টকা দিয়াৰ সিদ্ধান্ত কৰিছে। তলত দিয়া বৃহৎ শিল্পানুস্থান কেইটা পৰিকল্পনা আয়োগে মঞ্জুৰ কৰিছে।

১। কাপোৰৰ কল ( Textile Mill )– ৩৪·০ লাখ টকা।

২। মৰাপাটৰ কল ( Jute Mill )—২৮৫ লাখ টকা।

৩। পাট সূতা কটা কল (Spun Silk Mill)—২৮.৫ লাখ টকা।

৪। চেনিৰ কল (Sugar Mill)—... টকা।

ইয়াৰ উপৰিও ব্যক্তিগত প্ৰচেষ্টাত ... মাটিৰ কাৰখানা, কাগজৰ কল আদি নিৰ্মা... আশা আছে।

এতিয়া আমি অসমৰ দুটামান কুটীৰ ... বিষয়ে আলোচনা কৰোঁ। অসমৰ প্ৰধান ... শিল্প হৈছে তাঁতত কাপোৰ বোৱা। ... তাঁত শাল শিল্প ভাৰত প্ৰখ্যাত। ... জৰীয়তে বহুতো মানুহে নিজৰ জীৱিকা ... কৰি আছে। এই শিল্পৰ সমাদৰ এদিন ব... আছিল। কিন্তু দেশ স্বাধীন হোৱাৰ পিছ... শিল্পই বহুতো সমস্যাৰ সন্মুখীন হব ... পৰিছে। এই সমস্যাবোৰ হৈছে—(ক) ... অভাৱ (Lack of finance); (খ) এই শিল্প... বস্তুবোৰৰ বিক্ৰিৰ সমস্যা (Marketing diffic...) (গ) পুৰণি সাজ-সৰঞ্জামৰ প্ৰয়োগ (Use ... and antiquated appliances)। আমাৰ ... ভাগ তাঁতশাল শিল্পীয়েই গাৱঁলীয়া মহাজনৰ ... টকা ধাৰে লয়। এই গাৱঁলীয়া মহাজন বি... অধিক সুতত টকা ধাৰে দিয়ে আৰু সেয়েহে ... শিল্পীবোৰে তেওঁলোকৰ শিল্পৰ যোগেদি ... লাভবান হব নোৱাৰে।

অসম চৰকাৰে এতিয়া এই সমস্যা দূৰীক... অৰ্থে কিছু দূৰ আগবঢ়া দেখা গৈছে। চৰক... সমবায়ৰ যোগেদি সূতা বিলিৰ দিহা কৰিছে... গুৱাহাটীত Weaving Emporium এটা খুলিছে... তাঁতশালত উৎপন্ন হোৱা কাপোৰ বিক্ৰিৰ বা... বিক্ৰিকেন্দ্ৰ (Sales Depot) খুলিছে। প্ৰ... পৰিকল্পনাৰ কালছোৱাত আমাৰ চৰকাৰে তিতাবৰ...

ৰেচম গবেষণা কেন্দ্ৰ (Sericulture Research ) খুলিছে। এই কেন্দ্ৰৰ যোগেদি ... বিজ্ঞান ত গবেষণা চলোৱাৰ দিহা কৰা হৈছে। তাঁত শিল্পৰ উন্নতিকল্পে আমাৰ অসম চৰকাৰে ত দিয়া আঁচনিবোৰ হাতত লৈছে।

) তাঁত শিল্পী সমবায় ( Weaving Co-Operation ) খোলা আৰু তাঁত শিল্পীবোৰক টকাৰ যোগান ধৰা ;

২) উন্নত ধৰণৰ যন্ত্ৰপাতিৰ যোগান ধৰা ;

) সূতা ৰঙোৱা কেন্দ্ৰ স্থাপন কৰা।

তাঁত শিল্পৰ পিছতেই কাঁহ শিল্পক ঠাই দিব ৰি। সৰ্থেবাৰীয়েই কাঁহ শিল্পৰ কেন্দ্ৰস্থান। নাখন এই শিল্পৰ অৱস্থা বৰ ভাল আছিল। শিল্পৰ যোগেদি মানুহে সহজে জীৱন নিৰ্ব্বাহ ৰিব পাৰিছিল। কিন্তু এতিয়া এই শিল্পই নানা স্যাৰ সম্মুখীন হব লগাত পৰিছে। তাৰে মটো হ'ল এই শিল্পজাত বস্তুবোৰৰ চাহিদা াৰত কমি গৈছে। ইয়াৰ কাৰণ এয়ে যে—ইন ঠাইৰ পৰা সস্তা দামত এলুমিনিয়াম, 'জাৰ্মান লভাৰ' আদিৰ বস্তু বজাৰত ভৰি পাৰছে। আমাৰ জাৰত কাঁহৰ সাজ-বাচনৰ দামৰ অনুপাতত সেই স্তুবোৰৰ দাম বৰ কম আৰু সেয়েহে সেই স্তুবোৰ মানুহৰ আকৰ্ষণীয় বস্তু হৈ পৰিছে। দ্বিতীয় সমস্যা হৈছে—কেঁচা মালৰ অভাৱ। য খিনি কেঁচামাল বাহিৰৰ পৰা আহে তাৰো দাম বৰ বেছি। তৃতীয় সমস্যা হ'ল এই শিল্পৰ শিল্পী-বোৰে আজিও আধুনিক যন্ত্ৰপাতি ব্যৱহাৰ কৰিব পৰা নাই। অৱশ্যে ইতিমধ্যে চৰকাৰে সৰ্থেবাৰীৰ কাঁহ শিল্পৰ উন্নতি বিধানাৰ্থে এটি কল কিনিছে। কিন্তু সুদক্ষ কাৰিকৰৰ অভাৱত এই কলো অচল হৈ পৰি থাকিব লগাত পৰিছে।

এই শিল্পবোৰৰ উপৰিও সোণ-ৰূপৰ কাম কৰা, বেতৰ কাম কৰা, বাঁহৰ কাম, মাটিৰ বাচন তৈয়াৰ কৰা আদি নানা শিল্প আমাৰ অসমত আছে। তৈয়াৰ কৰা (Manufacturing) আৰু অন্যান্য শিল্পানুস্থানবোৰৰ ভিতৰত চাহ শিল্প, কয়লাৰ খনি, পট্ৰোলিয়াম, চামৰাৰ কাম, তাৰপিনটাইন আৰু প্লাইউদ আদি প্ৰধান।

অসমক অতি সহজে শিল্পোন্নত কৰিব পৰা নেযায়। শিল্পোদ্যোগৰ পথত অসমত বহুতো বাধা আছে। তাৰ ভিতৰত তলত দিয়া কেইটা প্ৰধান।

১। পৰিবহন সমস্যা (Transport bottleneck) পৰিবহন সমস্যাই হৈছে আমাৰ শিল্পোন্নয়ণৰ প্ৰধান হেঙাৰ। আমাৰ ৰেলপথ সুগম নহয়। বাৰিষাৰ কেবামাহো অসম ভাৰতৰ অন্যান্য ঠাইৰ পৰা বিচ্ছিন্ন থাকিব লগাত পৰে। অসমৰ এতিয়া প্ৰধান আৱশ্যক হৈছে—অসম ৰেল লিঙ্ক সুদৃঢ় কৰা ; ব্ৰহ্মপুত্ৰৰ ওপৰত অনতিপলমে দলং নিৰ্মাণ কৰা ; গাৰোপাহাৰলৈ ৰেল-লাইন খোলা , মিটাৰ গজৰ পৰিবৰ্ত্তে ৰেল ব্ৰড গজলৈ পৰিৱৰ্ত্তিত কৰা ; ভিতৰুৱা ৰাস্তা-পদূলিৰ উন্নতি সাধা ; জলপৰিবহন উন্নতি কৰা ইত্যাদি।

২। ঔদ্যোগক :--শিল্প স্থাপন কৰিবলৈ হলে ঔদ্যোগকৰ বৰ দৰ্কাৰ। আমাৰ অসমত এই শ্ৰেণীৰ লোক বৰ কম। ব্যক্তিগত প্ৰচেষ্টাত অসম শিল্পোন্নত দেশ হৈ গঢ়ি উঠা টান। সেয়েহে শিল্পোন্নোতিত ৰাজ্যিক চৰকাৰে যথাযথ চকু দিব লগাত পৰিছে।

৩। মূলধন (Capital) :— মূলধনৰ অভাৱত অসমে অলপো উন্নতিৰ পথত আগবাঢ়িব পৰা নাই। আমাৰ অসমত মূলধন তৈয়াৰ হোৱাত বাধা আছে। আমাৰ মানুহবোৰ দুখীয়া। আনকি সঞ্চয় কৰিও মূলধন গঠনত সহায় কৰিব নোৱাৰে। আমাৰ দেশত বেঙ্ক আদিৰ সংখ্যা কম আৰু টকা খটুৱাৰো সুবিধা ঠাই নাই। এইবোৰ কাৰণত আমাৰ ইয়াত মূলধন গঠন (Capital formation) হৈ উঠা নাই।

৪। শ্ৰমিক ( Labour ) :—শ্ৰমিক মূলতঃ তিনি শ্ৰেণীৰ— অপৈণত ( Unskilled), অৰ্দ্ধপৈণত ( Semi-skilled ) আৰু পৈণত ( Skilled)। প্ৰথম দুবিধ শ্ৰমিকৰ অভাৱ নাই। কিন্তু তৃতীয় বিধ শ্ৰমিকৰ অভাৱ অসমত বৰ বেছি। এই পৈণত শ্ৰমিক ( Skilled Labour ) তৈয়াৰ কৰাটো আমাৰ আজি প্ৰধান কৰ্ত্তব্য হৈ পৰিছে।

৫। শিল্পক টকা যোগান ধৰা (Financing of Industries in Assam ) :-এতিয়া আমি আমাৰ শিল্পানুস্থানবোৰক কি কি উপায়ৰ দ্বাৰা টকাৰ যোগান ধৰিব পাৰি তাৰে অলপ আভাষ দিবলৈ যত্ন কৰোঁ। প্ৰথমতে আমি আমাৰ অসম বিত্তীয় কৰপ'ৰেশ্যনৰ বিষয়ে আলোচনা কৰোঁ। এই কৰপ'ৰেশ্যন ১৯৫১ চনত স্থাপিত হৈছে। এই কৰপ'-ৰেশ্যনে দেশৰ উন্নতিত বৰকৈ সহায় কৰিব পাৰে। আমাৰ কৰপ'ৰেশ্যনৰ মূলধন হৈছে ১ কোটি টকা। কৰপ'ৰেশ্যনটোৰ প্ৰধান উদ্দেশ্য হৈছে মজলীয়া, ক্ষুদ্ৰ শিল্পবোৰক টকাৰ যোগান ধৰা। কৰপ'ৰেশ্যনে আৰু নতুন শিল্প স্থাপনো কৰিব পাৰে। কিন্তু এই কৰপ'ৰেশ্যনে আমাৰ শিল্পবোৰক সম্পূৰ্ণ সহায় কৰিব পৰা নাই। ইয়াৰ কাৰণ এয়ে যে বেশ্যনে ধাৰে দিয়া টকাৰ সুতৰ হাৰ বৰ হ প্ৰাৰম্ভিক মূলধনৰ যোগান নধৰে আ ধাৰে দিয়া পদ্ধতিটোও কঠিন ধৰণৰ।

আমাৰ অসমত বেঙ্কৰ সংখ্যা বৰ কম। যি বেঙ্ক আছে—সেইবোৰে শিল্পৰ উন্নতিত কৰিব পৰা নাই। তেজপুৰ ঔদ্যোগিক ( Industrial Bank of Tezpur ) অৱস্থ ধৰণৰ। দেশ স্বাধীন হোৱাৰ পিছত বেঙ্ক' আৰু ভাৰতৰ 'ষ্টেট বেঙ্ক' এই বিষ সজাগ হোৱা দেখা গৈছে।

সামৰণি :—ওপৰৰ কথা বিলাকৰ পৰ কব পাৰো যে—দেশৰ শিল্পৰ উন্নতিত ৰাজ্যিক চৰকাৰে তৎপৰ হব লাগিব। চৰকাৰে ইতিমধ্যে গুৱাহাটীত ঔদ্যোগিক ( Industrial Estate scheme ) এটা লৈছে আৰু ইয়াত ৬ লাখ টকা খৰচ কৰাৰ কৰিছে। এই আঁচনি মতে ৩০ টা উ কেন্দ্ৰ থাকিব আৰু সময়ৰ লগে লগে ইয়াৰ বৰ্দ্ধিত কৰা হব। ইয়াৰ কাম চলোৱা আৰু তত্বাবধান লোৱাৰ কাৰণে এটা কৰপ'ৰেশ্যন কথা আছে। এইটোৰ উপৰিও তলত দিয় বোৰ চৰকাৰে লব পাৰে—

(১) শিল্পানুস্থানবোৰক লাগতিয়াল যোগান ধৰা।

(২) অসম ঔদ্যোগিক কৰপ'ৰেশ্যনৰ বৃদ্ধি কৰা।

(৩) দেশৰ ডেকা-গাভৰুক উপযুক্ত দি গঢ়ি তোলা।

# অসমীয়া কৃষ্টিৰ ধাৰা

শ্ৰীসৰ্ব্বেশ্বৰ তালুকদাৰ
দ্বিতীয় বাৰ্ষিক, কলা

সুনীল পৰ্ব্বত-পাহাৰ, সেউজীয়া তৰুলতা, নানাবিধ ফল-ফুল আৰু কুলু কুলু সুৰে সুৰৰ লহৰ লি বৈ যোৱা তটিনীৰে সৈতে আবৃতা অসমী পৰাই স্ৰষ্টাৰ চিকুণ হাতেৰে নিৰ্ম্মিত মনোৰম লীলাভূমি। আজিও এই মনোৰম অসমী আইয়ে ৰণি কৃষ্টিৰে বিজয়-বৈজয়ন্তী উৰুৱাই প্ৰগতিৰ থত সগৌৰৱে আগুৱাবলৈ প্ৰয়াস পাইছে।

অসমীয়া জাতি কেইবাটাও বিভিন্ন ফৈদৰ সমষ্টি গাথোন। ইয়াৰ ভিতৰত অষ্ট্ৰিক, দ্ৰাবিড়ী, তিব্বেত-ৰ্মী, মঙ্গোলীয় আৰু আৰ্য্য জাতিয়েই প্ৰধান াৰু পুৰণি। পণ্ডিতসকলে কয় যে বহুত হেজাৰ ছৰ আগেয়ে এই দেশত অষ্ট্ৰিক সকলে বাস ৰেবে আৰু এওঁলোকেই ইয়ালৈ অহা জাতি বিলাকৰ ভিতৰত প্ৰথম। সময়মতে দ্ৰাবিড়ী বিলাক অষ্ট্ৰিক সকলৰ পাচত আহি ইয়াত বাস কৰা বুলি অনুমান কৰিব পাৰি। মঙ্গোলীয় কলে পূব ফালৰ পৰা আহি ইয়াত বাস কৰে। কছাৰী, ৰাভা, মিৰি, লালুং, গাৰো, নগা, কুকি ইত্যাদি জাতি বোৰেই পুৰণি মঙ্গোলীয় ফৈদৰ মানুহ। খাচী আৰু জয়ন্তীয়া এই দুটা জাতিয়েই অষ্ট্ৰিক জাতিৰ বংশধৰ বুলি পণ্ডিতসকলে অনুমান কৰে। এই জাতি বিলাক বহু বছৰ পূৰ্ব্বে অসমত সোমাইছিল। আৰ্য্যজাতিৰ লোকবিলাক এই দেশত সোমোৱাৰ লগে লগে এই লোক সকলৰ প্ৰভাৱ কমি আহে। এওঁলোক সাধাৰণতে বৰ বুদ্ধিমান। অৱশেষত আহোম বিলাকে এই দেশত সোমাই বসতি কৰি থাকে। এই দৰে বিভিন্ন জাতিৰ সংমিশ্ৰণৰ ফলত আজিৰ অসমীয়া জাতি, অসমীয়া কৃষ্টি, সভ্যতা আৰু অসমীয়া ভাষা সংগঠিত হৈ উঠিছে। অসমত বাস কৰা কছাৰী, চুটীয়া, আহোম আদিৰ প্ৰত্যেকৰে একোটা নিজস্ব সংস্কৃতি আছিল। কিন্তু আজি সকলোবোৰেই অসমীয়া।

অতীত অসম তন্ত্ৰ মন্ত্ৰৰ কাৰণে বিখ্যাত আছিল। অসুৰৰাজ নৰকাসুৰে বিখ্যাত কামাখ্যা দেৱীৰ মন্দিৰ তৈয়াৰ কৰাৰ কথা প্ৰচলিত আছে। পৌৰাণিক আখ্যান মতে সৃষ্টিৰ আদিতে ইয়াতেই (বৰ্ত্তমান গুৱাহাটী) বহি সৃষ্টি কৰ্ত্তা ব্ৰহ্মাই বিশ্ব-ব্ৰহ্মাণ্ডৰ গ্ৰহ-নক্ষত্ৰ আদিৰ সৃষ্টি কৰিছিল আৰু সেই কাৰণেই এই ঠাইখনৰ নাম প্ৰাগজ্যোতিষপুৰ হয়। আৰু তেতিয়া এই দেশখনৰো নাম আছিল প্ৰাগজ্যোতিষপুৰ। কালিকা পুৰাণত আছে যে মহাৰাজ নৰকাসুৰৰ ৰাজত্ব কালৰ পৰা এই দেশৰ নাম কামৰূপ হয়।

নানা কাৰণত প্ৰাচীন অসমীয়াৰ লগত ভাৰতৰ বিভিন্ন ঠাইৰ লোকৰ পৰিচয় হয়। মহাভাৰতৰ সময়ত ভগদত্তই জীয়েকক কৌৰৱ বীৰ দুৰ্য্যোধনৰ লগত বিয়া দি পাণ্ডৱৰ লগত যুঁজি অসমীয়াৰ তেজস্বীতাৰ পৰিচয় দিয়ে। বাণ ৰজাৰ জীয়েক উষাক অনিৰুদ্ধই বিবাহ কৰে, ভীষ্মক ৰজাৰ জীয়েক ৰুক্মিণীক শ্ৰীকৃষ্ণই বিবাহ কৰি সুদূৰ অতীততে অসমৰ লগত ভাৰতৰ যোগসূত্ৰ স্থাপন কৰে। হিড়িম্বাপুৰৰ ৰজা ঘটোৎকচ, মণিপুৰৰ ৰজা বভ্ৰুবাহন দুয়োৰেই মহা ক্ষমতা দেখুৱাই অতীত ভাৰতক চমৎকৃত কৰিছিল। কামৰূপ জীয়াৰী অমৃত প্ৰভাই সুদূৰ অতীজতে ভাৰতৰ কাশ্মীৰ নগৰীত নিজ দেশৰ গৌৰৱৰ চানেকি থৈ গৈছিল। কুমাৰ ভাস্কৰ বৰ্ম্মা ৭ম শতিকাৰ অসম আকাশৰ আছিল এটি উজ্জ্বল তৰা। অতি পুৰণি কালৰ বিস্তৃত বিৱৰণ নাই যদিও ৭ম শতিকাৰ হিউয়েন চাঙৰ টোকাৰ পৰা জানিব পৰা যায় যে সেই কালৰ অসমীয়া লোকসকল সাহসী, উদাৰ, সত্য-বাদী, ধৰ্ম্ম-ভীৰু আৰু উৎসৱৰ প্ৰতি প্ৰধাবিত মনৰ আছিল।

দূৰ অতীতৰ পৰা লেথেৰি নিচিগা অসমীয়া কৃষ্টিৰ ধাৰা নানাবিধ কাৰুকাৰ্য্য, ভাস্কৰ্য্য আৰু জৰাজীৰ্ণ প্ৰাচীন পুথি সমূহৰ জৰীয়তে উজ্জল ভাবে দেখিবলৈ পোৱা যায়। অসমীয়াৰ জাতীয় উৎসৱ বিহু। পণ্ডিত সকলে এই বিহুৰ প্ৰচলন অতি পুৰণি বুলি অনুমান কৰে। অসমীয়াৰ এই বিহু তিনিটা বিশেষ লক্ষণাক্ৰান্ত। “মাঘত মুকলি মন পিঠা খোৱা দিন।” মাঘ বিহুত নানা ধৰণৰ পিঠা-পনা, মাখন, দৈ আদিৰে অসমীয়াই প্ৰীতি ভোজন কৰে। (মেজি) পুৰি অগ্নিক পূজা অৰ্চ্চনা কৰে। অগ্নিক পূজা কৰাৰ প্ৰথা আৰ্য্যসকলে নিতৌ হৱন কৰা প্ৰথাৰে ৰূপ বুলি ধৰিব ইয়াৰ পাচত বসন্তৰ আগমনিত অতি ৰঙালী, ৰঙিলী বহাগী বিহু আহি পায় জমক সাজেৰে। অসমীয়াৰ প্ৰাণত জোৱাৰ উঠে, ইফালে তাঁতৰ খট্‌খট্‌নি, ঢেঁকীৰ নিনাদ। দুৰদুৰণিৰ বননিৰ পৰা আহে সুমধুৰ চিফৌৰ সুললিত সুৰ, টকাৰ আদিম অসমীয়াই ভালকৈ জানিছিল যে গাভৰুৰ যৌন-জীৱনৰ লগত মাটিৰ শস্যৰ আছে। সেই সম্বন্ধৰ সহাৰিত অনুৰূ যৌন মিলনক কেন্দ্ৰ কৰিয়েই তেওঁলোকৰ নৃত্যৰ উৎপত্তি হয়। যৌন সঙ্গৰ সেই ডেকা গাভৰুৰ মাজত যি নৃত্যৰ টৌ তাৰে পৰাই বিহু নৃত্য বিৰিঙি উঠিল। বিহুত ঘৰে ঘৰে তুলসীৰ গুৰিয়ে গুৰিয়ে দি নাম কীৰ্ত্তন কৰে। এই অসমীয়া বিহু অসমীয়া জাতিক জৌতিৰ্মান কৰি ৰাখিছে বিহুৰ লগতে বিহু-নাচ, বিহু-গীত, আদিয়ে অসমীয়াক ৰঙ ৰহইচৰ মাজত ৰাখিছে।

বিহুৰ দৰে অসমীয়া ডেকা লৰাৰ মহোহো। প্ৰতি বছৰৰ আঘোন মাহৰ ৰাতি এই উৎসৱ পালন কৰা হয়। উৎসৱৰ মাজেৰে মানৱ জাতিৰ শত্ৰু মহ কৰণ কৰাৰ প্ৰয়াস দেখা যায়।

অতি প্ৰাচীন কালৰে পৰা অসমে কলাৰ কাৰণে সমগ্ৰ ভাৰতত এটি বিশিষ্ট

েকাৰ কৰি আহিছে। বাণ ৰজাৰ দিনত যে কলাৰ বহুল প্ৰচলন হৈছিল তাক আমি লেখাৰ চিত্ৰবিদ্যাৰ নিপুণতাৰ পৰাই অনুমান ৰিব পাৰোঁ। ইয়াৰোপৰি কামাখ্যা মন্দিৰ ৰু তাৰ মূৰ্ত্তিবোৰে, নৱগ্ৰহ, উমানন্দ, শুক্লেশ্বৰ, গ্ৰীৱ মন্দিৰ তথা হাজোৰো দেৱালয়ে একোটি য়ৰ পুৰণি অসমীয়া কৃষ্টিৰ, সুকুমাৰ কলাৰ িচয় দিয়ে। কুমাৰ ভাস্কৰ বৰ্ম্মাৰ দিনৰ াই অসমীয়া কৃষ্টিয়ে যে এক অভিনৱ ৰূপ াণ কৰিছিল সেইটো সকলোৱে অনুমান কৰিব ৰে। কুমাৰ ভাস্কৰ বৰ্ম্মাই হংসবেগ নামৰ ৰ দ্বাৰা হৰ্ষবৰ্দ্ধনলৈ পঠিওৱা নানাবিধ উপহাৰে মীয়া কৃষ্টিৰ সুন্দৰ আভাস দিয়ে। হৰ্ষলৈ ওঁ পঠিয়াইছিল নানা প্ৰকাৰ সামগ্ৰী, যেনে তী দাঁতৰ অলঙ্কাৰ আৰু অলৌকিক শক্তি পন্ন আভোগ ছত্ৰ, বেতৰ জাপা ইত্যাদি। স্কৰ বৰ্ম্মাৰ দিনৰ তামৰ ফলি আদিয়ে ৭ম তিকাৰ অসমীয়া কলা আৰু কৃষ্টিৰ গৌৰৱ াষণা কৰি গিলিকি আছে। ইয়াৰোপৰি বৈষ্ণৱ গত অসমীয়া কলাৰ চৰম বিকাশ সাধন হয়। ই যুগত চিত্ৰবিদ্যাই অসমীয়া কৃষ্টিক ৰূপায়িত ৰি তুলিছিল—নতুন বেশেৰে। মহাপুৰুষ শঙ্কৰদৰে নিজ হাতে বৈকুণ্ঠৰ পট আঁকি সমাজক দেখুৱাই চমৎকৃত কৰিছিল। অসমীয়া তিৰোতা কলো সুকুমাৰ কলাত সিদ্ধহস্ত আৰু সুনিপুণ।

বৈষ্ণৱ যুগৰ সাঁচি পতীয়া পুথি বিলাকৰ মাজত পদ আৰু চাৰিওফালে বা তলে ওপৰে তাৰ অৰ্থসূচক নানা বিধ ছবি আঁকিছিল। ধৰ্ম্মৰ পৰম তত্ত্ব বুজাবৰ নিমিত্তে নামঘৰ আদি ধৰ্ম্মানুষ্ঠানৰ বেৰত বিবিধ প্ৰকাৰৰ ধৰ্ম্ম কথা বুজোৱা চিত্ৰ আঁকি সমাজক তাৰ সহায়েৰে বুজাবলৈ যত্ন কৰিছিল। এতিয়াও বৰপেটা, সুন্দৰদিয়া, গোমুৰ আদি অসমৰ নানা ঠাইত থকা সত্ৰ আৰু নাম ঘৰত অনেক চিত্ৰ আছে। এইবোৰেই অসমীয়াৰ গৌৰৱোজ্জ্বল বৈষ্ণৱ যুগৰ চূড়ান্ত চিত্ৰবিদ্যাৰ আৰু তাৰ জৰীয়তে হোৱা শিক্ষাৰ নিদৰ্শন দাঙি ধৰে।

জাতিৰ গৌৰৱৰ বস্তু সাহিত্যতো অসম চহকি। অসমীয়াৰ বিহু-গীত, বন-গীত, ডাকৰ বচন আদিয়ে অসমীয়া সাহিত্যৰ জন্মৰ উপাদান। ইয়াৰ পিচত বৈষ্ণৱ যুগৰ সাহিত্যই নতুন বৰঙণি দিয়ে। ভাৰতৰ ভিতৰত অসমতেই প্ৰথমে কথা ভাষাত ভট্টদেৱে ধৰ্ম্ম পুথি ৰচনা কৰে। শঙ্কৰ, মাধৱে অনেক কিতাপ ৰচনা কৰি যুগমীয়া কীৰ্ত্তি স্থাপন কৰে। দুৰ্গাবৰ, মনকৰ, মাধৱ কন্দলী, অনন্ত কন্দলা, পিতাম্বৰ দ্বিজ আদিয়ে সুন্দৰ সুন্দৰ কাব্য ৰচনা কৰে।

জ্যোতিষশাস্ত্ৰ, ধৰ্ম্মশাস্ত্ৰ, চিকিৎসা শাস্ত্ৰ আদি সকলো বিষয়তেই অসমীয়া লোক অতি পুৰণি কালৰে পৰা পাৰ্গত। ঘোঁৰা-নিদান, হস্তীবিদ্যাৰ্ণৱ পুথিয়ে ঘোঁৰা আৰু হাতী চিকিৎসাৰ বিষয়ে আমাক সন্ধান দিয়ে। অসমীয়া ধন্বন্তৰীয়ে বিহলঙণিৰে বেমাৰীক কোবাই জাৰি বেমাৰীক আৰোগ্য কৰে; মন্ত্ৰ পুথিৰে অসম ভৰপূৰ। এই পুথিৰে গাওলীয়া ওজাই মন্ত্ৰ আওৰাই নানা প্ৰকাৰ বেমাৰ ভাল কৰে; ভূতপিশাচ দূৰ কৰিবৰ কাৰণে নহুৰ গছ, মেচেন্দেৰী, বচ আদি দি জপ দিয়ে। বেজে অস্ত্ৰোপচাৰো কৰিব পাৰে; হাবিৰ পৰা নানাবিধ বনজাত ঔষধ আনি বটি, ভৰণ দি, লেপ দি, খুৱাই নৰীয়া নোহোৱা কৰে। খৰিকা জাইৰে পানী জাৰি দি তাৰে

গা ধুব আৰু খাব দিও মুখ লগা আদি বেমাৰ ভাল কৰে।

অসমীয়াৰ ঘৰুৱা জীৱনৰ লগত আন আন দেশৰ ঘৰুৱা জীৱনৰ বিশেষ সামঞ্জস্য দেখা নেযায়। অসমীয়া মুনিহ, তিৰোতা উভয়ে পৰিশ্ৰমী। গাৱঁলীয়া বিলাকৰ কিছুমানে খেতি কৰে, খেতি নোহোৱা সময়ত নানাবিধ শিল্পৰ কাম কৰে। ইয়াৰোপৰি অসমীয়া সোণাৰীয়ে সোণ-ৰূপৰ কাম, কুমাৰে মাটিৰ কাম, কঁহাৰে কাঁহৰ কাম, কাঠ মিস্ত্ৰীয়ে কাঠৰ কাম, ৰাজ মিস্ত্ৰীয়ে মাটিৰ ঘৰ আদিৰ কাম কৰি জীৱিকা অৰ্জ্জনৰ লগতে দেশৰ সমৃদ্ধি আৰু শিল্পৰ উন্নতি সাধন কৰে। অসমীয়াই মাছ মাৰিবলৈ জাকৈ জুলুকী, জাল, চেপা, ডিঙা আৰু বস্তু-বাহানী থবৰ কাৰণে বাঁহ আৰু বেতৰ ধুনীয়া ধুনীয়া জপা, কোক, খৰাহী, পাচি আদি তৈয়াৰ কৰে। অসমীয়া মানুহে সৰিয়হৰ তেল পেৰে, কলপুৰি তাৰ ছাই তিয়াই খাৰ তৈয়াৰ কৰে।

অসম বয়ন শিল্পৰ কাৰণে ভাৰত বিখ্যাত। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো অসমীয়া তিৰোতাই কাপোৰ বব জানে। কপাহী গামোচাৰ পৰা গুণাৰে বন কৰা ফুলাম বিহা, মেখেলা, চেলেং আদি অসমীয়া শিপিনীৰ হাতৰ বস্তু। অসমৰ এড়ি, মুগা, পাট আদিৰ কাপোৰ ভাৰতত সুবিদিত। আহোম যুগৰ সাজ পোছাক দেখিলে অসমীয়াৰ মনত গৌৰৱ নোপোজাকৈ নেথাকে। প্ৰায় ভাগ অসমীয়া শিপিনীয়ে কাপোৰ বৈ সূতা কাটি, নিজ জীৱিকা উলিয়াই লয়। ৰূপ-সজ্জাতো অসমীয়া তিৰোতা কম পটু নহয়। তেওঁলোকে হেজাৰ, সোণা, মুঠি, গলপতা, সাতসৰি, জোন-মাদুলী, ঢৰীয়া মণি, শিলিখা মণি পি... চিকোন কৰিবলৈ দাঁতত ক'লা ৰঙ, হাত... জেতুকাৰ বোল দি, চূণ-পানেৰে তামো... অধৰ-ৰঞ্জিত কৰি, কপালত ৰঙা সেন্দুৰ... মাৰি, নাকত নাক-চান্দা, কাণত কেৰু... কলদিলীয়া লাহতী খোপাত সুন্দৰ সুন্দ... গুজি লৈ ৰূপৰ মাত্ৰা বৃদ্ধি কৰে। পিন্ধা... মেখেলাৰ আঠুলৈকে সুন্দৰ সুন্দৰ ফুলো... গছ তোলে, চেলেঙৰ কোণত মগৰ, হতীয়াত নানা ফুল তোলে, হৰি নামো ... মুঠতে মহাত্মা গান্ধীয়ে ক'বৰ দৰে, "অ... তিৰোতাই কাপোৰত কাহিনী ৰচনা ক...

পুৰণি কালৰ পৰাই অসমীয়াই যুদ্ধৰ ... বেলেগ বেলেগ ধৰণৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰি... আহোম যুগত ইয়াৰ পৰিধি বৃহত্তৰ হৈ... অসমীয়াই নানা আক্ৰমণৰ সম্মুখীন হৈ... কাৰণে দুৰ্জয় শত্ৰুৰ কবলৰ পৰা নিজক... কৰিবলৈ, কমাৰে হিলৈ, বৰতোপ, দা-... বাখৰুৱাই নানাবিধ বাখৰ আদি তৈয়াৰ কৰি... নাওশলীয়া ফুকনে নাওঁ সজ্জিত কৰি নৌ... পৰিচালনা কৰিছিল। এইদৰে বিভিন্ন উপা... অসমীয়াই দূৰৰ মোগলক খেদি পঠিয়াইছি... পৰাজিত মোগল বীৰ সকলেও সেই স... অসমীয়াৰ বীৰত্ব, স্বদেশ প্ৰেম আৰু দৃঢ়তা ... প্ৰশংসা কৰিবলৈ বাধ্য হৈছিল।

অসমীয়াৰ ঘৰবাৰী নিৰ্ম্মাণতো অস... কৃষ্টিৰ স্বকীয়তা প্ৰকাশ পায়। আহোম ৰ... থাকিবলৈ তৈয়াৰ কৰিছিল সুন্দৰ কাৰেং... গড়গাওঁৰ কাৰেংঘৰ, ইয়াৰ নিদৰ্শন। ... তামাচা চাবৰ কাৰণে সাজিছিল ৰঙ মাৰল...

...ৰা-ঘৰ, ভৰাল-ঘৰ, নাম-ঘৰ, ঢে কী-ঘৰ, এই ...কিছুমান ঘৰৰ কৰা কামি বাঁহৰ, ঘৰৰ পশ্চিমে ...াহ ; পূৰে হাঁহ-চৰা পুখুৰী ; বৰ ঘৰৰ পিচপিনে ...ান-তামোলৰবাৰী। বাঁহৰ জেওঁৰাৰে ঘৰবাৰী ...াবৃত, পদূলিত নঙলা ; গৰু-মহ আদি ঘৰৰ পিনে ...াব নোৱাৰাৰ বাবে। সেই নঙলাৰ হেঙাৰত ...ঠি সৰু ল'ৰা ছোৱালীয়ে ঘোঁৰাত উঠাৰ দৰে আনন্দ পায়। হাউ, দৰীয়া, ভাটা, গুটীয়া-গুটি, লুকা-ভাকু, দৰা-কইনাৰ বিয়া, কড়ি খেলা ইত্যাদি খেলা অসমীয়া সৰু ল'ৰা-ছোৱালীৰ আনন্দৰ বস্তু ; অসমীয়াৰ জাতীয় কৃষ্টি। অসমীয়াৰ জাতীয় কৃষ্টিয়ে অসমীয়াক জীয়াই ৰাখিছে আৰু ৰাখিবও—ইয়াৰ অন্ত নহয়।

# বেজবৰুৱা আৰু অসমীয়া সাহিত্য

শ্রীনৰেন্দ্র শৰ্ম্মা
দ্বিতীয় বাৰ্ষিক, কলা

সিদিনা অসম সাহিত্য সভাৰ তিনিচুকীয়া ...ধিবেশনত সভাপতিয়ে কোৱা কথা এযাৰলৈ ...নত পৰিল—"লক্ষ্মীনাথ বেজবৰুৱাৰ অন্তৰ্দ্ধানৰ ...গে লগে অসমীয়া জাতিয়ে যেন এবাৰো প্রাণ ...ৰি হাঁহিবলৈ নোপোৱা হ'ল—এনে অনুমান ...য়।" সচাকৈয়ে বেজবৰুৱাৰ মৃত্যুৰ পিছত ...আমাক হহুওৱা মানুহ নোহোৱা হৈ পৰিল। ...পাবৰ ৰূপী বেজবৰুৱাই অসমীয়া সমাজৰ ...াৰৰ্জ্জনা, ভণ্ডামি, কুসংস্কাৰ, অন্ধবিশ্বাস, মিছা ...াদি আঙুলিয়াই ইয়াৰ উন্নতি সাধনৰ বাবে চুটি ...ল্প, ব্যঙ্গ ৰচনা, আখ্যান আদিৰ মাজেদি অসমীয়া ...জাতিক হহুৱালে আৰু লগে লগে আমাৰ ...দায়বোৰ দেখিবলৈ পাই আমি কান্দিলোঁ। তেওঁ উচ্চশিক্ষাৰ কাৰণে অসম এৰিলে কিন্তু অসমীয়া ভাষাৰ জটুৱা ঠাঁচ, ভিন ভিন সমাজৰ ভাৱ গতি, ৰীতি-নীতিক তেওঁ এৰিব নোৱাৰিলে আৰু এইবোৰেই হ'ল তেখেতৰ ভৱিষ্যত সাহিত্যিক জীৱনৰ সম্বল।

স্বাধীনচিতীয়া বেজবৰুৱাই বিখ্যাত সাউদ ৺ভোলা বৰুৱাৰ লগত কাঠৰ কাৰবাৰ কৰিবলৈ ধৰিলে। তেওঁ সদায় বেপেৰুৱা কামতে ব্যস্ত থাকিব লগাত পৰিছিল। কিন্তু যি কণ আহৰি পাইছিল, সেইখিনি সময় তেখেতে সাহিত্য চৰ্চ্চাত নিয়োগ কৰিছিল।

ইংৰাজ সকলে অসম লোৱাৰ পিছত অসমৰ স্কুলত বঙ্গালী ভাষা চলিবলৈ ধৰিলে— অসমীয়া

ছাত্ৰই মাতৃভাষা শিকিব নোৱাৰা হ'ল। তেতিয়া কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ সকলে যি তুমুল সংগ্ৰাম চলাইছিল তাৰ আগত বীৰদৰ্পে থিয় হৈছিল ডেকা বেজবৰুৱাই। আনকি তেওঁৰ দাদা-শহুৰ ৰবীন্দ্ৰনাথৰ লগত যুঁজ দিবলৈও বাধ্য হৈছিল।

বেজবৰুৱাই অসমীয়া ভাষা জননীক অমৰ কৰি জিলিকাই ৰাখিবৰ কাৰণে ধুনীয়া ধুনীয়া মণি অলঙ্কাৰেৰে সজাই পৰাই জাকত জিলিকা কৰি ৰখাটোৱেই—জীৱনৰ একমাত্ৰ ধ্যান কৰি লৈছিল আৰু তাকে জীৱন যুদ্ধৰ নানা ঘাত প্ৰতিঘাতৰ মাজত পৰিও সাধন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। জন সমাজত খ্যাত হবৰ কাৰণে বেজবৰুৱাই সাহিত্য সেৱা কৰা নাছিল। তেওঁ অসমীয়া যে এটা ভাষা আৰু তাক ভাৰত বাসীৰ মাজত জনাবৰ কাৰণে কাপ মৈলাম হাতত লৈছিল। সেয়ে তেওঁৰ লেখনিত অসমীয়া ভাষাৰ জন সমাজে পাহৰিব ধৰা জটুৱা ঠাঁচবোৰ, অসমীয়া ভাই-ভনী সকলৰ ঘৰুৱা জীৱনৰ কাহিনী, অসমৰ চুকে কোণে বাস কৰা অসমীয়া ভাই সকলৰ মনৰ ভাৱ, জন সমাজত প্ৰচলিত কুৰীতি—ইয়াৰ সংস্কাৰ সাধনৰ উপায় আদি ফুটি ওলাইছিল। তেওঁ অসমীয়া ভাষাৰ যি দোল সাজিলে অসমীয়া সকল জগতত থাকে মানে তাক স্মৰণ কৰি থাকিব।

আনকি কোনোৱে যদি অসমীয়া লিখিবলৈ হাতত লয় তেন্তে তেওঁ বেজবৰুৱাৰ লেখনীবোৰ, সাহিত্য সমূহ পঢ়াটো নিতান্ত উচিত। ডক্টৰ ৺কাকতিয়ে কৈছিল "অসমৰ নিজকে বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লিখকক কব খোজোঁ, বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো প্ৰতি অবিচাৰ কৰা হব।"

বেজবৰুৱাই ছাত্ৰ অৱস্থাৰে পৰা বিদেশত ভাৱ আৰু চলন ফুৰণৰ মাজত থাকিয়ে দীঘল হৈছিল। সাধাৰণ হিচাবে আমি সম্পূৰ্ণ নামটিয়ে জানিব নালাগিছিল—কিন্তু কোৱাৰ নিছিনা "My heart is in the land where I go." সেইদৰে বেজবৰুৱাই নাথাকক—কলিকতা মহানগৰীৰ অট্টালিকাত সম্বলপুৰৰ বাসস্থানতে নাথাকক তেওঁৰ বিচাৰিছিল প্ৰকৃতিৰ সৌন্দৰ্য্য ৰাশিৰে ভাৰতৰ নুমলী কন্যা, হাবি জঙ্গলে আগুৰি মহাবাহু লৌহিত্য প্ৰবাহিত অসম দেশ খনি সেয়ে তেওঁৰ মুখৰ পৰা ওলাইছিল—

"চাই লওঁ এবাৰ মুখনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই।"

বেজবৰুৱাৰ ৰচনাৰ প্ৰত্যেক শব্দতে স্বদেশ প্ৰীতি প্ৰকাশ পাইছে। বুঢ়ী আইৰ ককাদেউতা আৰু নাতিলৰাৰ পৰা আৰম্ভ সতী জয়মতী, বেলিমাৰ, চক্ৰধ্বজ সিংহ বুৰঞ্জীমূলক সাহিত্যবোৰ স্বদেশ প্ৰীতিৰে তেওঁৰ লেখনিত "জগৰা মণ্ডলৰ প্ৰেমা "ভেমপুৰীয়া মৌজাদাৰৰ" আখ্যানকে আদি সকলোতে অসমীয়া জীৱনৰ প্ৰত্যেক মূৰ্ত্তিমন্ত হৈ উঠিছিল।

কুৰি শতিকাৰ আৰম্ভনিতেই কিছুমান ভদ্ৰলোকে অসমীয়া ভাষা, সমাজক বঙালী আৰু সমাজৰ পৰা ফালৰি কাটি অহা বুলি কৰে আৰু ইয়াৰ সিদ্ধান্তৰ বাবে ১৯৩

বঙ্গদেশৰ ধৰ্ম্মৰ পৰা ফালবি কাটি অহা নাই। নেকৈয়ে বিদেশীয়ে অসমীয়া ভাষা আৰু ৰ্ম্মত হাত দিব নোৱাৰিলে—একমাত্ৰ বেজবৰুৱাৰ ক্লান্ত চেষ্টাতেই যে এই কথাটো আমি পাহৰিব বিনোৱাৰোঁ।

বেজবৰুৱাই অকল সাধুকথা, উপন্যাস নাটক াদিৰ বিবিধ সম্ভাৰেৰে ভাষা দেৱীক পূজা কৰিছে দিও তেওঁ কম বেচি পৰিমাণে কবি হিচাবেও আমাৰ অন্তৰ জয় কৰা কথা নুই কৰিব নোৱাৰোঁ। তখেতৰ "কবিতা" কবিতাটো বাস্তৱিকতে অসমীয়া হিত্যলৈ এটি অতি আপুৰুগীয়া দান।

শ্ৰীশঙ্কৰদেৱে গোটেই ভাৰত পৰ্য্যটন কৰি ভাৰতৰ ভিন ভিন প্ৰদেশৰ সংস্কৃতি সমূহৰ সমন্বয় টাই অসমত যি নতুন সাহিত্য আৰু সংস্কৃতিৰ যুগ চনা কৰিছিল তাক বিশদভাৱে ফহিয়াই দেখুৱালে ক্ষ্মীনাথ বেজবৰুৱাই। অসমৰ সত্ৰ, নামঘৰ আদিত কা সংস্কৃতিৰ ভাওঁটি অসমৰ বাহিৰত প্ৰকাশ খাই দিলে একমাত্ৰ বেজবৰুৱাই। আনকি তেখেতে কলিকতা মহানগৰীতো অসমীয়া জাতীয় াদ্য ঢোল, খোল, ভোৰতাল, ডবাৰ মাত ইত্যাদি বদেশীক শুনাইছিল।

তেওঁৰ "শঙ্কৰদেৱ" আৰু "মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱ" নামৰ গ্ৰন্থ দুখনিয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ নৱ-জাগৰণৰ ঢৌ তুলি দিলে। তেওঁ "বাঁহী" যোগেদি শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত উদাৰ ভাগৱতী ধৰ্ম্মৰ বৈশিষ্ট্য ৰাইজক ভালকৈ বুজাই দিলে। তেওঁৰ এই বিষয়ৰ চেষ্টাই বৰোদা ৰাজ্যকো চুলেগৈ। বিদ্যোৎসাহী গাইকোঁৱাৰৰ নিমন্ত্ৰণত সুদূৰ বৰোদা ৰাজ্যত অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ বিষয়ে এটি ধাৰাবাহিক বক্তৃতা দি অসমৰ গৌৰৱ জনাই অসম মাতৃৰ সুযশ আনে। বেজবৰুৱা অকল সাহিত্য ৰথীয়েই নহয় এজন সংস্কৃতি ৰথীও আছিল।

তেওঁ জীৱনৰ সৰহ কাল বিদেশত থাকিছিল যদিও মাজে সময়ে মাতৃভূমি অসমৰ আকৰ্ষণত সুদূৰ কলিকতা নাইবা সম্বলপুৰৰ পৰা টাপলি মেলিব লগাত পৰিছিল। গুৱাহাটীত বহা ১৯১৬ চনৰ ছাত্ৰ সন্মিলন আৰু ১৯২৪ চনৰ অসম সাহিত্য সভাৰ তেওঁ সভাপতিত্ব কৰিছিল। ১৯৩১ চনত শিৱসাগৰত বহা অসম সাহিত্য সভাতো তেৱেঁই পৌৰহিত্য কৰে। ছাত্ৰ কালতে হেম গোসাঁই আৰু চন্দ্ৰ কুমাৰ আগৰৱালাৰ সৈতে তেওঁ যি অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা পাতিছিল—তাক তেওঁ ওৰে জীৱনে ফলৱতী কৰিবলৈ চেষ্টা কৰিছিল।

বেজবৰুৱাই অসমীয়া ভাষা আৰু সমাজক নতুন ৰূপ দিলে স্বদেশানুৰাগ, অপূৰ্ব্ব ৰচনা পদ্ধতি আৰু প্ৰকৃত হাস্যৰসৰ মাজেদি ;—যি হাস্যৰসৰ অৱতাৰণাত কোনো অসমীয়া লোকে নাহাঁহি নোৱাৰিছিল। সেইবোৰ পঢ়ি আমাৰ ক্ষন্তেকৰ কাৰণে হাঁহি উঠে আৰু ৰঙ ৰহইচ পাওঁ যদিও আমাৰ দোষবোৰৰ কথা সুঁৱৰি হৃদয়ৰ গভীৰতম প্ৰদেশৰ পৰা হুমুনিয়াহ এটি ওলায়। বেজবৰুৱাক সেই সময়ৰ অসমীয়া ভাষাৰ সেনাপতি বুলিব পাৰি। সেনাপতিয়ে যেনেকৈ বিপক্ষ দলৰ সকলো কৌশল চূৰ্ণ কৰি নিজৰ প্ৰতিপত্তি বঢ়াব লাগে—ঠিক সেই দৰে বেজবৰুৱায়ো অসমীয়া ভাষাৰ ওপৰত সকলো আক্ৰমণ চূৰ্ণ বিচূৰ্ণ কৰি দিছিল কেৱল কাপ কাকতৰ যোগেদিয়ে। ভলভলীয়া,

কৃপাবৰৰূপী সাহিত্যৰথী বেজবৰুৱাৰ বৈশিষ্ট্য এই খিনিতে যে তেওঁ একেসময়তে গল্পলিখক, নাট্যকাৰ, কবি, ব্যঙ্গ-সাহিত্যিক আদিৰ ভাও লৈ অসমীয়া সমাজৰ পৰা সমাদৰ লভিছিল।

অসমীয়া জাতিয়ে বেজবৰুৱাৰ অৱদান নেওচিব পৰা নাই—নোৱাৰিবও। আৰু সেয়ে তেওঁৰ হৃদয়ৰ মৰমৰ কণাবোৰেৰে লিখা—

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুনী দেশ
এনেখন শুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।

সঙ্গীতটিক অসমীয়াই জাতীয় সঙ্গীত গ্ৰহণ কৰিছে। অসমীয়া জাতি জীয়াই মানে বেজবৰুৱা সদায় নমস্য হৈ থাকিব

---

# সংস্কৃত নাটক আৰু অঙ্কীয়া নাট

শ্ৰীদয়াৰাম তালুকদা
তৃতীয় বাৰ্ষিক, কল

(ক) সংস্কৃত নাটকৰ লগত অসমীয়া অঙ্কীয়া নাটৰ মিল।

১। অঙ্ক—সংস্কৃতত ৰূপক দহ প্ৰকাৰৰ। নাটক, প্ৰকৰণ. ব্যায়োগ, ভান, সমবকাৰ. ভিন, ইহামৃগ, বীথি, অঙ্ক আৰু প্ৰহসন ), এই দহ প্ৰকাৰ ৰূপকৰ ভিতৰত অঙ্কৰ লগত অসমীয়া অঙ্কীয়া নাটৰ নামটোহে মিলে। অসমীয়া অঙ্কও এক অঙ্কীয়া আৰু সংস্কৃত অঙ্কও এক অঙ্ক য়া। নায়ক-নায়িকা আৰু বিষয় বস্তুৰ ক্ষেত্ৰত দুয়ো বিধৰ অমিল সুস্পষ্ট। গতিকে অসমীয়া অঙ্কীয়া নাটৰ নামৰ উদ্ভাৱনাৰ মূলো সুকীয়া। সংস্কৃত অঙ্কক অনুযতন কৰি কৰা নহয়। অসমীয়া অঙ্কৰ ভালেমান মিলো আছে—নাটকীয় গঠনৰ ক্ষেত্ৰত। আৰু অমিল হ'ল বিষয় বস্তু, অঙ্ক বিভাগৰ আৰু অঙ্কৰ সংখ্যাৰ ক্ষেত্ৰত।

২। পূৰ্ব্বৰঙ্গ—সংস্কৃত নাটকত নাটক হোৱাৰ আগতে নাটকৰ কৃতকাৰ্য্যতাৰ অভিনয় আৰম্ভ হোৱাৰ আগতে যি কা কৰা হয় তাক পূৰ্ব্বৰঙ্গ বোলে। অ অঙ্কবো এনে পূৰ্ব্বৰঙ্গ আছে। "

৩। নান্দী—সংস্কৃত নাটক" আৰম্ভ হয় শ্লোকৰ দ্বাৰা। এই নান্দী শ্লোক ভগ ব্ৰাহ্মণ নাইবা ৰজাক উদ্দেশ্য কৰি গোৱা সংস্কৃত নাটকত প্ৰায় নান্দী শ্লোক দেখা "নান্দ্যন্তে সূত্ৰধাৰ" বোলা কথাষাৰলৈ কিছুমানে কয় যে সূত্ৰধাৰে নান্দী শ্লোক গো পিছত ওলায়। আমাৰ অসমীয়া অ নাটকত দুটা নান্দী থাকে। ইয়াৰ এ কৃষ্ণ বা ৰামক বুজায় আৰু আনটোৰে না বিষয় বস্তু উল্লেখ কৰা হয় আৰু সূত্ৰ নান্দী গায়।

৪। প্ৰৰোচনা—সংস্কৃত নাটকৰ প্ৰৰোচনাৰ যোগেৰে নাটকীয় ঘটনাৰ উল্লেখ, নায়কৰ প্ৰশংসা আৰু দৰ্শকৰ মন আকৰ্ষণ কৰা হয়। অঙ্কতো সংস্কৃত শ্লোকৰ দ্বাৰা আৰম্ভ কৰি প্ৰৰোচনাৰ কাৰ্য্য সম্পন্ন কৰা হয়। আৰু "ভো ভো সামাজিক" বুলি সমজুৱাৰ মন আকৰ্ষণ কৰা হয়।

৫। আমুখ আৰু প্ৰস্তাৱনা—সংস্কৃত নাটকত সূত্ৰধাৰ আৰু সঙ্গীসকলে নায়ক-নায়িকা অহাৰ বতৰা কথোপকথনৰ মাজেৰে দিয়ে। অঙ্কীয়া নাটতো এনে আমুখ আৰু প্ৰস্তাৱনা আছে।

৬। শ্লোক—সংস্কৃত নাটকত শ্লোকৰ অৱতাৰণা কৰি ঘটনাৰ বিন্দু স্থাপন কৰে।

৭। সন্ধি—সংস্কৃত নাটকীয় আখ্যানত পঞ্চ সন্ধি আছে। অঙ্কীয়া নাটতো পঞ্চ সন্ধি আছে। (পঞ্চ সন্ধি—মুখ, প্ৰতিমুখ, গৰ্ভ, অৱমৰ্ষ আৰু উপসংহাৰ)

৮। ৰস—সংস্কৃত নাটকবোৰত বিভিন্ন ৰস থাকে। ধৰ্ম্মভাৱৰ পৰিবেশ সৃষ্টি কৰিবৰ বাবে শঙ্কৰ-মাধৱে গোটেইবোৰ ৰসকেই সংস্কৃত নাটকৰ দৰে অসমীয়া অঙ্কতো ব্যৱহাৰ কৰিছে।

৯। ৰচনা—সংস্কৃত নাটক গদ্য আৰু পদ্য দুয়োটাতে লিখা। অসমীয়া অঙ্কও গদ্য পদ্যত লিখা কেৱল সূত্ৰধাৰৰ মুখৰ বচনবোৰ গদ্যত লিখা।

১০। মুক্তি মঙ্গল—সংস্কৃত নাটকত মুক্তি-মঙ্গল বা ভৰত বাক্যৰ দ্বাৰা নাটকৰ শেষ হোৱাটো বুজায়। ইয়াত দৰ্শকৰ মঙ্গলৰ বাবে প্ৰাৰ্থনাসূচক বাণী থাকে। এনে আশীৰ্ব্বাদ মূলক মুক্তি মঙ্গল অঙ্কীয়া নাটত সূত্ৰধাৰ আৰু সঙ্গীসকলে একেলগে গায়।

১১। সময় আৰু স্থানৰ ঐক্য—সংস্কৃত নাটকত সময় আৰু স্থানৰ ঐক্যলৈ লক্ষ্য ৰখাৰ দৰে অঙ্কীয়া নাটতো ৰখা নাই।

**(খ) অঙ্কীয়া নাটৰ লগত অমিল।**

১। সংস্কৃত নাটকৰ ভাষা, ভাৱৰীয়া অনুযায়ী বেলেগ বেলেগ :—যেনে—ৰজা, মহাৰজা, ব্ৰাহ্মণ নায়ক নায়িকা আদিৰ মুখত সংস্কৃত। নিম্ন শ্ৰেণীৰ মুখত প্ৰাকৃত। কিন্তু ব্ৰজাৱলী ভাষাই অঙ্কীয়া নাটৰ একমাত্ৰ ভাষা।

২। নাটকীয় পৰিবেশ—সংস্কৃত নাটকত যুদ্ধ, মৃত্যু, বিবাহ, প্ৰণয়, মিলন আদিক পাৰিলেও দেখুৱা নহয়। অঙ্কীয়া নাটত এইবোৰ দেখুৱাইছে। সংস্কৃত নাটক বিয়োগান্ত নহয়। কিন্তু অঙ্কীয়া নাট বিয়োগান্তকো হব পাৰে।

৩। সূত্ৰধাৰ—অঙ্কীয়া নাটবোৰৰ প্ৰধান কাৰ্য্য কাৰক হ'ল সূত্ৰধাৰ। সংস্কৃত নাটকত সূত্ৰধাৰ নাটখনৰ আৰম্ভনিতে এবাৰ ওলায় আৰু তাৰ পিছত মঞ্চলৈ নাহে। কিন্তু অঙ্কীয়া নাটবোৰত সূত্ৰধাৰ আগৰ পৰা গুৰিলৈ উপস্থিত থাকে। ভটিমা, শ্লোক, নৃত্য, যুদ্ধৰ বৰ্ণনা, বিলাপ আদি সকলো বৰ্ণনা প্ৰায়ে সূত্ৰধাৰে কৰে।

৪। বিদূষক—সংস্কৃত নাটকত বিদূষক আছে কিন্তু অঙ্কীয়া নাটত বিদূষক একেবাৰে নাই।

৫। অঙ্কৰ গীত—সংস্কৃত নাটকবোৰত গীত বিভিন্ন নায়ক-নায়িকায় গায়। কিন্তু অঙ্কীয়া নাটবোৰত গীত অকল সূত্ৰধাৰে গায়।

৬। অঙ্ক আৰু গৰ্ভাঙ্ক—সংস্কৃত নাটকত অঙ্ক আৰু গৰ্ভাঙ্ক দুয়োটাই আছে। কিন্তু অঙ্কীয়া নাটত গৰ্ভাঙ্ক নাই আৰু অঙ্কও এটাহে থাকে।